| 4 | L. I. S. in fulbari area Ph-I (S. C.). | do | Katigorah. |
| 5 | L. I. S. in Buribail area Ph-I (General). | do | do. |
| 6 | L. I. S. from river summa in Nitanpur area (S. C.). | do | do. |
| 7 | L. I. L. in Buribail Ganigram Pt.-II (General). | 1985-86 | do. |
| 8 | L. I. S. from river Rukni in Shola G. P. at Gazalghat Ph-II. | do | Sonai. |
| 9 | L. I. S. from river Rukan in Dhola G. P. at Gazalghat Ph-III (S. C.). | do | do. |
| 10 | L. I. S. in Danchari area (General). | do | do. |
| 11 | L. I. S. in Roypur Krishapur area (General). | do | Borkhola. |
| 12 | L. I. S. from river Jatinga (TDD). | do | do. |
| 13 | Modernisation of Sonai L.I.S. (General). | do | Sonai. |
| 14 | Modernisation of Udarbond E. L. I. S. (General). | do | Udarbond. |

| (1) | (2) | (3) | (4) |
|---|---|---|---|
| 15 | Modernisation of Katigorah E. L. I. S. (General). | do | Katigorah. |
| 16 | P. I. F. through Sildubi D. T. W. installed by Central Ground board (General). | do | Sonai. |
| 17 | L. I. S. in Phulbari Ph-II (S. C.). | do | Katigorah. |
| 18 | L. I. S. in Badribasti area (General). | 1986-87 | Rajabazar Dev. Block |
| 19 | L. I. S. in Tupakhana at Pt -I & II (General) | do | Borkhola. |
| 20 | L. I. S. in Dungirpur area (General) | do | Sonai. |
| 21 | L. I. S. from river Sonai in Dharmikhal area (General). | do | do. |
| 22 | Modernisation of Sonai exten. E. L. I. S. (General) | do | do. |
| 23 | Modernisation of L I. S. from Sonai at Amraghat (General) | do | do. |
| 24 | Modernisation of L. I. S. at Joypur Rajabazar area (General). | do | Rajbazar Dev. Block. |
| 25 | Modernisation of Salchara E. L. I. S. (General). | do | Salchara. |
| 26 | L. I. S. in Bhairabnagar (General). | do | Borkhola. |
| 27 | L. I. S. in Dud/atial area (General). | do | do. |
| 28 | L. I. S. in Sibpur area (Genral). | do | Sonai. |
| 29 | L. I. S. from river Gumra in Jalalpur purgagor area (S.C.) | do | Katigorah. |
| 30 | L. I. S. from river Rukni in Panibhora (S. C.) | do | Sonai. |

শ্রীরামেন্দ্র দে সুধিছে ঃ

বিষয় ঃ বাসের পারমিট।

২২০। মাননীয় পরিবহন বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জনাবেন কি—

(ক) আন্ত-জিলা বাসের পারমিট দেওয়ার সাধারণ নিয়ম কি?

(খ) বাসের ভাড়া কি ভাবে নির্দ্ধারিত হয়?

(গ) চরকারী বাস করিমগঞ্জ থেকে শিলচর যাওয়ার সময় কোন রাস্তা দিয়ে যেতে হয়?

শ্রীললিত চন্দ্র ৰাজখোৱা (পৰিবহন মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ভাৰতীয় মটৰ যান-বাহন আইন ৪৫ দফা অনুসৰি আন্তঃ জিলা বাছৰ অনুজ্ঞা পত্ৰ আঞ্চলিক পৰিবহন প্ৰাধিকাৰীয়ে দিছে।

(খ) ১৯৩৯ চনৰ ভাৰতীয় মটৰ যান-বাহন আইনৰ ৪৩ ধাৰাৰ ৩ উপধাৰা মতে (১৯৩৯ চনৰ ৪ আইন অনুসৰি) বাছৰ ভাড়া নিৰ্দ্ধাৰিত হয়।

(গ) অসম ৰাজ্যিক পথ পৰিবহন নিগমৰ বাছ কৰিমগঞ্জৰ পৰা শিলচৰ যাওঁতে কৰিমগঞ্জৰ পৰা বদৰপুৰ ৪৪ নং ৰাষ্ট্ৰীয়কৃত পথ আৰু বদৰপুৰৰ পৰা শিলচৰ ৫৩ নং ৰাষ্ট্ৰীয়কৃত পথত যাতায়ত কৰে।

বিষয় ঃ আসাম রাজ্যে খেলার ষ্টেডিয়াম করার জন্য টাকা মঞ্জুরী।

শ্রীরামেন্দ্র দে সুধিছে ঃ

২২১। মাননীয় ক্রীড়া বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি—

(ক) আসাম রাজ্যে খেলার মাঠ নির্মাণ (ষ্টেডিয়াম) করার জন্য ১৯৮৪-৮৫, ১৯৮৫-৮৬, ১৯৮৬-৮৭ ও ১৯৮৭-৮৮ ইংরেজিতে মগ্রট কত টাকা মঞ্জুর করেছেন?

(খ) কতটা মাঠের (ষ্টেডিয়াম) এর কাজ শেষ হয়েছে?

(গ) করিমগঞ্জ শহরের মাঠ নির্মাণের জন্য এপর্যন্ত কত টাকা অনুদান দেওয়া হয়েছে?

(ঘ) ১৯৯০ ইংরেজীর মধ্যে কাজ শেষ হবে কি?

শ্রীপ্রবীন গগৈ (ক্রীড়া আৰু যুৱ কল্যাণ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) খেল পথাৰ নিৰ্মাণৰ বাবে তলত দিয়া ধৰণে অৰ্থ মঞ্জুৰী দিয়া হয় :—

| | |
|---|---|
| ১৯৮৪-৮৫ | ৩০,০০,৪০০·০০ টকা |
| ১৯৮৫-৮৬ | ৩০,২৫,৩২৫·০০ টকা |
| ১৯৮৬-৮৭ | ৩০,৭৫,৭৩২·০০ টকা |
| ১৯৮৭-৮৮ | ১১.৯৬.১৭৬·০০ টকা |

(খ) এতিয়ালৈ ২ টা ষ্টেডিয়ামৰ কাম আৰু ১০ খন খেল পথাৰৰ কাম শেষ হৈছে ।

(গ) কৰিমগঞ্জ চহৰত ষ্টেডিয়াম নিৰ্মাণৰ বাবে মুঠ ২ লাখ ১০ হাজাৰ টকা এতিয়ালৈ দিয়া হৈছে ।

(ঘ) হৰ বৰ্দলি অনুমান কৰা হৈছে ।

বিষয় ঃ বন্য নিয়ন্ত্রনের ক্ষেত্রে কেন্দ্রীয় সরকারের ব্যবস্হা ।

শ্রীৰামেন্দ্র দে সুধিছে ঃ

২২২। মাননীয় বান নিয়ন্ত্রণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবন কি—

(ক) আসাম রাজ্যের বন্য নিয়ন্ত্রনের ক্ষেত্রে কেন্দ্রীয় সরকার কোন পদক্ষেপ নিয়াছেন বলে রাজ্য সরকার জানেন কি ?

(খ) যদি নিয়ে থাকেন সে পদক্ষেপ গুলি কি ?

(গ) বরাক বান্ধ প্রকল্প বর্তমান কেন্দ্রীয় জল আয়োগর বিবেচনাধীন হৈ আছে। এই প্রকল্প রাজ্য সরকার কি ব্যবস্হা গ্রহণ করছেন ?

শ্রীছাৰ্মাছিং হাঞ্চে (বান নিয়ন্ত্রণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, জানে ।

(খ) কেন্দ্রীয় চৰকাৰে অসমৰ বানপানী আৰু গড়াখহনীয়া প্ৰতিৰোধ কৰিবৰ বাবে আৰু জলনিস্কাষণৰ ব্যৱস্হাৱলীৰ উন্নতি কৰণৰ বাবে এখন 'মাষ্টাৰ প্লেন' তৈয়াৰ কৰিবৰ বাবে ব্ৰহ্মপুত্ৰ বোৰ্ড গঠন কৰে। ইয়াৰ উপৰিও কেন্দ্রীয় চৰকাৰে সদ্যহতে উত্তৰ-পূব ৰাজ্য সমূহৰ বানপানীৰ সমস্যা অধ্যয়ন কৰি ৬ মাহৰ ভিতৰত বানপানী প্ৰতিৰোধৰ দীৰ্ঘম্যাদী ব্যৱস্হা সমূহ সুপাৰিচ কৰিবৰ বাবে কেন্দ্রীয় জল সম্পদ সচিবক সভাপতি হিচাবে আৰু প্ৰতিখন ৰাজ্যৰ মুখ্য সচিব সকলক আৰু অন্যান্য বিষয়াবৰ্গক সদস্য কৰি এখন সমিতি গঠন কৰি দিছে ।

(গ) বৰাক বান্ধ প্ৰকল্প বৰ্ত্তমান কেন্দ্রীয় জল আয়োগৰ বিবেচনাধীন হৈ আছে। এই প্ৰকল্প কাৰ্য্যকৰী কৰাৰ কাৰণে কেন্দ্রীয় চৰকাৰক হেচা দি থকা হৈছে ।

Re : Supply of Sports materials.

Shri Abdul Rob Laskar, asked :

223. Will the Minister, Sports & Youth Welfare be pleased to state—

(a) Whether the Government provided sports materials to the Registered Clubs/Societies of Rural Areas for promoting Sports & Culture ?

(b) If so, the name of the Clubs/Societies etc.

শ্ৰীপ্ৰবীন কুমাৰ গগৈ (ক্ৰীড়া আৰু যুৱকল্যাণ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) ১৯৮৭—৮৮ চনত এনেদৰে সাহায্য দিয়া ক্লাব, সংস্থা ইত্যাদিৰ নামৰ তালিকা সদনৰ মেজত দিয়া হল।

Re : Financial help to Rural Clubs.

Shri Abdul Rab Laskar, asked :

224. Will the the Minister, Sports & Youth Welfare be pleased so state—

(a) Whether the Government is providing financial help to the Registered Clubs/Socities belonging to the Rural Areas for promoting various Sports amongst the Rural Youth ?

(b) If so, the names of the Registered Clubs/Societies receiving financial help ?

(c) The principles adopted in providing financial help?

শ্ৰীপ্ৰবীন কুমাৰ গগৈ (ক্ৰীড়া আৰু যুৱকল্যাণ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) ১৯৮৭—৮৮ চনত সাহায্য আগবঢ়োৱা ক্লাব, সংস্থাৰ তালিকা সদনৰ মেজত দিয়া হৈছে।

(গ) সাহায্য পাবলৈ হলে ক্লাব, সংস্থা ইত্যাদি পঞ্জীভুক্ত হব লাগে তেওঁলোকৰ নিজৰ বিধি বা 'বাই-ল' ইত্যাদি থাকিব লাগে আৰু আঁচনি বিশেষে নিজৰ নামত মাটিও থাকিব লাগে।

Re : Electrification of Mangalpur etc.

Shri Abdul Rob Laskar, asked :

225. Will the Minister, Power be pleased to state—

Name of the Villages electrified under

(1) Mangalpur Bualihawar (2) Natun Ramnagar-Amjurghat (3) Sonai (4) Sonabarighat (5) Narsingpur (6) Meherpur-Uttar Krishnapur (7) Silcuric and (8) Banskandi Sonapur Goan Panchayats of Silchar Sub-division during the year 1986 and 1987 ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা, শক্তি (বিদ্যুৎ) আদি বিভাগৰ মন্ত্ৰীয়ে উত্তৰ দিছে ঃ

| গাওঁ পঞ্চায়তৰ নাম | ১৯৮৫—৮৬ চনত বৈদ্যুতিকৰণ কৰা গাওঁ | ১৯৮৬—৮৭ চনত বৈদ্যুতিকৰণ কৰা গাওঁ |
|---|---|---|
| ১। মঙ্গলপুৰ বুলাইহৱাৰ | নাই | দক্ষিণ মোহনপুৰ—৪ |
| ২। নতুন ৰাম নগৰ আমজুৰঘাট | কপ্তানপুৰ | কপ্তানপুৰ—১৩ |
| ৩। সোনাই | কপ্তানপুৰ ১৭ | কপ্তানপুৰ—১৮ |
| ৪। সোনাবাৰী ঘাট | শিলডুবি | নাই |
| ৫। নৰসিংপুৰ | নাই | নাই। |
| ৬। মেহেৰপুৰ-উত্তৰ কৃষ্ণপুৰ | নাই | সাবাচপুৰ উত্তৰ কৃষ্ণপুৰ—৩ |
| | নাই | উত্তৰ কৃষ্ণপুৰ—৪ |
| ৭। চিলিকুৰী | নাই | নাই। |
| ৮। বাঁশকান্দি সোনাপুৰ | নাই | নাই। |

Re : Electrification of Dhakhin Krishnapur.

Shri Abdul Rob Laskar, asked :

226. Will the Minister, Power be pleased to state—

(a) Whether the Government is aware that Dhakhin Krishanapur Village under Silchar Police Station of Cachar District has not been fully electrified ?

(b) If so, whether the Government will take immediate measure to complete the electrification in that Village ?

Shri Lalit Ch. Rajkhowa, Minister Power, (Elect) etc.]. replied :

(a) Yes.

(b) Yes. Intensification work in the Village will be taken up subject to demand of load and provision of fund.

শ্ৰীকমেশ্বৰ সৰকাৰ:— য়ে সুধিছে:

বিষয়: অভয়াপুৰী পৰিবহন নিগমৰ আস্থান।

২২৯ মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অভয়াপুৰী চহৰৰ পৰিবহন বিভাগৰ আস্থানটো বৰ্তমান কেনেকুৱা অৱস্থাত আছে ?

(খ) উক্ত আস্থানটোৰ পৰা নিয়মিত ভাৱে যাত্ৰীবাহী বাছবিলাক চৰকাৰী চলাচল কৰি আছেনে ?

(গ) উক্ত আস্থানটোৰ ভিতৰত বাছৰ বাবে অপেক্ষা কৰি থকা যাত্ৰী বিলাকৰ বাবে বহাৰ অথবা আশ্ৰয় লোৱাৰ সা-সুবিধা আছেনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) ভাল অৱস্থাত আছে।
(খ) হয়।
(গ) হয়, আছে।

Re : Election of Executive Body

Sri Sheikh Abdul Hamid, asked :

228. Will the Minister, Co-operation be pleased to state--

(a) The reason of not holding election to the Executive Body for Chatla ( Tarakandi ) Goan Panchayat Samabai Somiti Ltd ( under Barpeta Asstt. Register ) up to January, 1988 ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) চতলা (তাম্ৰকান্দি) নামৰ কোনো গাওঁ পঞ্চায়ত সমবায় সমিতি বৰপেটা চক্ৰত নাই।

Re: Sanction of filter wells in the Village Sutarpur.

Dr. Ardhendra Kr. Dey, asked:

229. Will the Minister, Irrigation be pleased to state—

(a) Whether it is within the knowledge of the Govern ment that 3 D. T. W. and 2 shallow filter wells have been sanctioned in the Village Sutarpur under Jamunamukd Constituency around the Village of an Ex. M. L. A. and a present A. G. P. leader which will serve the Irrigation of the lands of those two families and of their relatives?

(b) If so, will the Government be pleased take action against such illegal action when many lands at that Vill-age belonged to poor villages will remain without any Irrigation facilities?

Shri Pabindra Deka (Minister, Irrigation), replied:

(a) No only 1 (one) D. T. W. has been approved during 1985-86 for Sutarpur Village.

No Government Shallow Tube-well or filterpoint has either b en proposed or sanctioned around the aid Village.

(b) Q estion d es not arise as 13 Nos of exploratory -cum-productive D. T. W's including the one in Sutarpur Village has been approved in and around t e command areas of the Jamuna Irrigation project as a measure o the conjunctive use of ground water to extend the provision of Irrigation facilities.

বিষয়ঃ গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনি।

শ্ৰীভৱত চন্দ্ৰ নৰহে সুধিছেঃ

২৩০ মাননীয় বিদ্যুতিকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) চকৰাখানাৰ পৰা বেবেজীয়ালৈ গ্ৰাম্য বৈদ্যুতিকৰণৰ আঁচনি সম্প্ৰসাৰণ কৰিবলৈ চৰকাৰে ব্যৱস্থা লৈছে নেকি?

(খ) যদি লোৱা নাই, তেন্তে সম্প্ৰসাৰণৰ আঁচনি লবলৈ বিবেচনা কৰিব নেকি?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (শক্তি বিদ্যুৎ আদি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) নাই লোৱা।

(খ) অসম বিদ্যুৎ পৰিষদে এই বিষয়ে বিবেচনা কৰি আছে।

বিষয়ঃ কদম মৌজাৰ গাওঁত গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনি।

শ্ৰীভৱত চন্দ্ৰ নৰহে সুধিছেঃ

২৩১। মাননীয় বিদ্যুৎ বিভাগৰ মন্ত্ৰীয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) উত্তৰ লক্ষীমপুৰৰ ৰাজহ চক্ৰৰ অধীনত থকা কদম মৌজাৰ কিমান গাঁৱত গ্ৰাম্য বৈদ্যুতিকৰণৰ আঁচনি চৰকাৰে লৈছে?

(খ) এই গাঁৱ কেইখনৰ নামবোৰ অনুগ্ৰহ কৰি জনাবনে?

(গ) এই আঁচনিৰ কাম কেতিয়াৰ পৰা আৰম্ভ হব?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (শক্তি বিদ্যুৎ আদি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) হয়, উত্তৰ লক্ষীমপুৰৰ ৰাজহ চক্ৰৰ অধীনত কদম মৌজাৰ ১৯ খন গাঁৱত গ্ৰাম্য বৈদ্যুতিকৰণৰ আঁচনি চৰকাৰে লৈছে।

| (খ) গাঁৱ সমূহৰ নামবোৰ হল | চি, চি, নং |
|---|---|
| ১। বোকানলা নং ১ | ২২৮ |
| ২। বোকানলা নং ২ | ২২৯ |

| | |
|---|---|
| ৩। দীঘা মাজগাওঁ | ২০৬ |
| ৪। দীঘা মাহৰ বাৰী | ২০৫ |
| ৫। গোমলদী এফ ভি | ২০৪ |
| ৬। প্ৰতাপ গড় | ১৯৯ |
| ৭। কেলাবালি | ১১৮ |
| ৮। মইনা পাৰা গোহাঁই গাওঁ | ১৭৭ |
| ৯। বৰখোলিয়া | ২২৩ |
| ১০। দীমাবন্তী | ২০৭ |
| ১১। লাই মেৰ্কাৰ | ১৭৪ |
| ১২। বাধা কজা এম চি | ১৭৫ |
| ১৩। বাহবাৰী | ৫৩ |
| ১৪। কদম বাগান | ১৯৪ |
| ১৫। গ(গল তকি নং ২ | ২১৫ |
| ১৬। গেৰেকি নং ১ | ২১৭ |
| ১৭। গেৰেকি নং ২ | ২১৮ |
| ১৮। চেঙ্গী দলনী | ২২১ |
| ১৯। শিঙৰিজান | ২৭৬ |

(গ) হয়। এই আঁচনিৰ কাম ইতিমধ্যে আৰম্ভ হৈছে আৰু বছৰৰ ভিতৰত ওপৰৰ প্ৰথম ১০ খন গাওঁৰ বৈদ্যুতিকৰণৰ ব্যৱস্থা হোৱাৰ আশা কৰা হৈছে।

বিষয়ঃ শিশু কল্যাণ কেন্দ্ৰত মৃত্যু হোৱা গৰুৰ ক্ষতি পূৰণ।

শ্ৰীভৱত চন্দ্ৰ নৰহে সুধিছে ঃ

২৩২। ৰাজ্যিক সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) চন্দ্ৰাখালা সংহত শিশু কল্যাণ কেন্দ্ৰৰ চাঁইবিল খাই মৃত্যু হোৱা গৰুবোৰৰ বিভিন্নত মালিক সকলক ক্ষতিপূৰণ দিয়াৰ সিদ্ধান্ত চৰকাৰে লৈছে নেকি?

(খ) যদি লৈছে, তেন্তে এই ক্ষতিপূৰণ কেতিয়া দিব জনাবনে?

শ্ৰীমতী ৰেখাৰাণী দাস বড়ো (ৰাজ্যিক সমাজ কল্যান বিভাগৰ মন্ত্ৰী) ঃ য়ে উত্তৰ দিছে ঃ

(ক) হয়, লৈছে।

(খ) খৰতকীয়া বিতৰণৰ ব্যৱস্থা লোৱা হৈছে।

বিষয় ঃ পৰিবহন নিগমৰ বাছ চলাচল নিয়মীয়াকৰণ।

শ্ৰীভৱত চন্দ্ৰ নৰহে সুধিছে ঃ

২৩৩। মাননীয় পৰিবহন নিগমৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ধেমাজী ঢকুৱাখানা, ঢকুৱাখানা মাহমৰা পথত চলা ৰাজ্যিক পথ পৰিবহন নিগমৰ বাছবোৰ অনিয়মীয়া হোৱা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে, বাছবোৰ নিয়মীয়া কৰিবলৈ চৰকাৰে ব্যৱস্থা হাতত লব নে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, কেতিয়াবা যান্ত্ৰিক বিজুতিৰ বাবে অনিয়মীয়া হয়।

(খ) চলিত বিত্তীয় বছৰত কিছু সংখ্যক নতুন ও ভাল অৱস্থাৰ বাছ চলোৱাৰ ব্যৱস্থা হাতত লোৱা হৈছে।

Re : Total installed capacity of Power Project of the State.

Shri A.F.Golam Osmani,—asked :

234. Will the Minister, Power be pleased to State :

(a) What was the total installed capacity of the Power Projects of the State and actual Generations made in 1983-84, 1984-85, 1985-86 1986-87 ? (Please state the figures in MW units)

(b) What was the total volume of Power exported and imported to and from the State to other States in 1983-84, 1984-85, 1985 86 and 1986-87 ? (Please state the figures in MW units specifying the States concerned )

Shri Lalit Chandra Rajkhowa. ( Minister, Power Elect . etc . )—replied :

(a) The following are the installed capacity of the Power Projects in the State and their actual generation in 1983-84, 1984-85, 1985-86 and 1986-87.

| Name of the Power Stations | 1983-84 | | 1984-85 | | 1985-86 | | 1986-87 | |
|---|---|---|---|---|---|---|---|---|
| | Installed capacity (MW) | Actual generation (MU) | Installed capacity (MW) | Actual generation (MU) | Installed capacity (MW) | Actual generation (MU) | Installed capacity (MW) | Actual generation (MU) |
| 1. CTPS. | 30.0 | 131.18 | 30.0 | 93.93 | 30.0 | 103.98 | 30.0 | 156·29 |
| 2. NTPS. | 111.5 | 374.53 | 133.5 | 372.54 | 133.5 | 460.50 | 133.5 | 384.15 |
| 3. BTPS | 120.0 | 204.34 | 120.0 | 166.75 | 180.0 | 80.43 | 240.0 | 214.27 |
| 4. LTPS. | 45.0 | 168.25 | 45.0 | 150.04 | 45.0 | 159.48 | 60.0 | 194.30 |
| 5. Mobile gas turbine | 18.9 | 88.40 | 18.9 | 69.00 | 18.9 | 40.22 | 18.9 | 47.30 |
| 6. Bordikharu Micro Hydel Project. | 1.0 | 0.40 | 2.0 | 0.58 | 2.0 | 0.77 | 2.0 | 0.84 |
| | 326.4 | 967.10 | 349.4 | 852.84 | 409.4 | 845.38 | 484.4 | 997.15 |

(a) (i) Import from other sources (In Million Units)

| | | 1983-84 | 1984-85 | 1985-86 | 1986-87 |
|---|---|---|---|---|---|
| 1. | Meghalaya | 293.55 | 293.69 | 258.79 | 176.82 |
| 2. | NEEPCO | 0.81 | 86.0 | 126.12 | 133.30 |
| 3. | NHPC(Loktak) | 28.21 | 143.63 | 216.23 | 178.91 |
| 4 | OIL India. | 13.66 | 8.84 | 6.06 | 0.01 |
| 5. | Tripura | 2.87 | 0.27 | 0.90 | 1.75 |
| 6. | Arunachal Pradesh. | 0.67 | 0.70 | 1.42 | --- |
| 7. | BRPL. | 0.40 | 0.04 | 1.31 | --- |
| | Total | 340.17 | 533.17 | 610.83 | 490.79 |

(b) (ii) EXPORT TO OTHER STATES (in Million Units)

| | | 1983-84 | 1984-85 | 1985-86 | 1986-87. |
|---|---|---|---|---|---|
| 1. | Nagaland | 96.09 | 68.40 | 32.63 | 44.61 |
| 2. | West Bengal | 45.13 | 43.32 | 43.67 | 0.32 |
| 3. | Mizoram | 11.34 | 18.65 | 18.19 | 16.91 |
| 4. | Tripura | 16.31 | 21.70 | 27.24 | 25.18 |
| 5. | Bhutan | 1.41 | 1.90 | 2.20 | 5.96 |
| 6. | Arunachal Pradesh. | 4.42 | 8.99 | 6.54 | 3.32 |
| 7. | BRPL. | 0.36 | 1.55 | 0.50 | 1.05 |
| 8. | Meghalaya | 4.70 | 20.67 | 20.55 | 24.07 |
| | Total | 179.76 | 185.18 | 151.52 | 121.42 |

Installed capacity is indicated in MW, whereas units generated and Sold/ Purchases are indicated in Million units (MU) . 1 MU = 10,00,000 kwh.

Re : Reasons for Power failure in the State.

Shri A. F. Golam Osmani —asked :

235. Will the Minister, Power be pleased to State :—

(a) Reasons of constant Power failure in the State in general and Guwahati City in particular ?

(b) Total hours of load shedding made in 1987 in Guwahati Municipal Corporation area ?
(Please state in quarterwise breakup from 1st January 1987 to 1st January 1988 .

(c) Total hours of load shedding made in 1987 in the State in quarterwise breakup from 1st January 1987 to 1st January 1988 ?

Shri Lalit Chandra Rajkhowa, (Minister, Power etc . )—replied :

(a) There is no constant Power failure in the State as well as at Guwahati . Occassional Power interruptions however have been occuring mainly due to following reasons :

(1) Load Shedding during peak load hours :—Load shedding is imposed mainly during peak load hours (i.e. from 17-00 hours to 21-00 hours) because of :—

(i) Low generation availability from Assam State Electricity Board's own power Station, Particularly from Bongaigaon Thermal Power Station .

(ii) Unstable and eratic supply of Power from NEEPCO (Kapili) and NHPC (Loktak)

(2) Tripping of Transmission Lines :—Occasional tripping of transmission lines and to some extent tripping of distribution lines under fault condition.

(3) Total system collapse :— Total Power failure occurs in the State on some occasions due to tripping of generating units mainly on account of :—

(i) Sudden outage of any of the large Power Stations and generating units like units in BTPS with 60 MW capacity

(ii) Tripping of 132 KV Transmission Lines like Dimapur Imphal, Mariani-Dimapur when import from Loktak to Mariani is more than 35 MW.

(iii) On few occasions tripping of 132 KV Transmission Lines from MSEB and 132 KV Dhaligaon-Rangia, Kahilipara - Rangia lines.

Power failure in Guwahati :—Power failure in Guwahati is not a iregular feature. There are, however, local Power interruptions due to system constraints and inadequacies in distribution system in greater Guwahati areas. Scheduled load shedding in greater Guwahati is affected only when system availability is 40% of restricted system demand.

(b) Quarterwise Total hours of load shedding made in Guwahati Municipal Corporation area in 1987 during peak and offpeak hours are as below :—

| | | |
|---|---|---|
| (i) 1st quarter (Jan, Feb, Mar.) | : | 20 hours. |
| (ii) 2nd quarter (April, May, June) | : | 39 hours. |
| (iii) 3rd quarter (July, Aug, Sept.) | : | 30 hours. |
| (iv) 4th quarter (Oct, Nov, Dec.) | : | 3 hrs. 56 minutes. |

(c) Quarterwise total hours of load shedding made in 1987 in the State are as follows :—

| | | |
|---|---|---|
| (i) 1st Quarter | - | 210 hours. |
| (ii) 2nd quarter | - | 310 hours. |
| (iii) 3rd quarter | - | 325 hours. |
| (iv) 4th Quarter | - | 270 hours. |

Appointment of Asstt.-Engineer under 3(f).

Shri A. F. Golam Osmani, —asked :

236. Will the Minister, F. C. be please to state :—

(a) The number of Asstt. Engineers appointed under 3(f) regulation from 1st January, 1986 to 1st January, 1988 ?

(Please state the year - wise breakup.)

(b) The norms on the basis of which these appointments were made ?

(c) How many among them belong to (a) Scheduled Caste.

(b) Scheduled Tribe (c) O. B. C. (d) Muslim and
(e) Bengali Hindu ?

(d) How many of them have since then been regularised by Assam Public Service Commission ?

(Please state the year - wise breakup.)

Shri Samsing Hanse. (Minister, Flood Control ) replied :

(a) Nil .
(b) Does not arise in view of reply at (a) above.
(c) -do-
(d) -do-

তৰা বিহীন প্ৰশ্ন নং ২৩৭

বিষয়ঃ চেগনত নতুন ৰাজ্য পৰিবহন নিগমৰ আস্থান।

শ্ৰীকিৰণ কুমাৰ গগৈয়ে সুধিছে ঃ

২৩৭। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ডিব্ৰুগড় জিলা চেগনত এটি নতুন ৰাজ্য পৰিবহন নিগমৰ আস্থান প্ৰতিষ্ঠা কৰিবলৈ কেইবা বছৰ আগৰ পৰাই যো-জা চলি থকাটো সঁচানে ?

(খ) যদি সঁচা, চলিত বিত্তীয় বছৰত উক্ত আস্থানৰ কাম আৰম্ভ হোৱাৰ আশা কৰিব পাৰিনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) চেষ্টা কৰি থকা হৈছে।
(খ) অহা বিত্তীয় বছৰত ইয়াৰ কাম আৰম্ভ কৰিব পৰা যাব।

বিষয়ঃ অসম ৰাজ্যিক পৰিবহন নিগমৰ কৰ্মচাৰীৰ সংখ্যা।

শ্ৰীভবেন্দ্ৰ নাথ ভৰালীয়ে সুধিছে ঃ

২৩৮। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম ৰাজ্যিক পৰিবহন নিগমত মুঠ সকলো শ্ৰেণীৰ কৰ্মচাৰীৰ সংখ্যা কিমান ?
(খ) তেওঁলোকৰ দৰমহাত বছৰি কিমান টকা খৰচ হয় ?
(গ) নিগমৰ বছৰি গড়ে কিমান ধন আয় হয় ?যোৱা ৫ বছৰত হিচাপৰ ভিত্তিত

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা, পৰিবহন বিভাগৰ মন্ত্ৰীয়ে উত্তৰ দিছে ঃ

(ক) ৬,৬৩৯ জন।
(খ) ১৯৮৬—৮৭ চনৰ বছৰটোত ৯,৬৬ কোটি টকা খৰচ হয়।
(গ) ১৯৮৩—৮৪ চনৰ পৰা ১৯৮৭—৮৮ চনলৈ ৫ বছৰৰ আয়ৰ তালিকা তলত দিয়া হল।

| বছৰ | আয় |
|---|---|
| ১৯৮৩—৮৪ | ১১ কোটি ৬৯ লাখ টকা |
| ১৯৮৪—৮৫ | ১১ কোটি ৮৭ লাখ টকা |
| ১৯৮৫—৮৬ | ১৩ কোটি ৫১ লাখ টকা |
| ১৯৮৬—৮৭ | ১৪ কোটি ৯২ লাখ টকা |
| ১৯৮৭—৮৮ (ফেব্ৰুৱাৰী পৰ্যন্ত) | ১৪ কোটি ২ লাখ টকা |

বি ঃ এ, এচ, ই, বি ত খালি থকা তৃতীয় শ্ৰেণী কৰ্মচাৰীৰ সংখ্যা

শ্ৰীভবেন্দ্ৰ নাথ ভৰালীয়ে সুধিছে ঃ

২৩৯। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) এ, এচ, ই, বি ত মুঠতে বৰ্তমান খালি থকা তৃতীয় শ্ৰেণীৰ পদৰ সংখ্যা কিমান ?
(খ) এই পদ সমূহ পূৰণ কৰিবৰ বাবে সাক্ষাৎকাৰ লোৱা হৈছিল নেকি ?
(গ) যদি লোৱা হৈছিল, কিমান জনক নিযুক্তি দিলে ?
(ঘ) যদি নিযুক্তি দিয়া নাই, কিয় দিয়া নাই ?
(ঙ) মাষ্টাৰ ৰোল বা এধক পদ্ধতিত কিমান জনে কাম কৰি আছে ?
(চ) তেওঁলোকৰ চাকৰি নিয়মীয়া কৰাৰ ব্যৱস্থা লোৱা হব নেকি ?
(ছ) মাষ্টাৰ ৰোল বা এধক পদ্ধতিত নিযুক্তি দিয়া নৰ্মচ কি ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা, শক্তি (বিদ্যুৎ) আদি বিভাগৰ মন্ত্ৰী য়ে উত্তৰ দিছে ঃ

(ক) পৰিষদৰ তৃতীয় শ্ৰেণীৰ পদ সমূহ পূৰণ কৰাৰ সকলো কাম কাজ মুখ্য কাৰ্য্যালয় আৰু বিভাগীয় প্ৰধান কাৰ্য্যালয় সমূহৰ বাদে অন্যান্য কাৰ্য্যালয়লৈ বিকেন্দ্ৰীকৰণ কৰা হৈছে। সেয়েহে এই সম্পৰ্কীয় নথি-পত্ৰ বৰ্তমানে কেন্দ্ৰীয় ভাবে মজুত নাই, অৱশ্যে তথ্য পাতি বিচাৰি ক্ষেত্ৰ কাৰ্য্যালয় সমূহলৈ জাননী পঠিওৱা হৈছে।

(খ) এই পদ সমূহ পূৰণ কৰিবৰ বাবে সময়ে সময়ে কিছুমান কেন্দ্ৰত সাক্ষাৎকাৰ তথা বাচনি পৰীক্ষা লোৱা হৈছিল।

(গ) আৰু (ৰ) নিয়োগ পদ্ধতি বিকেন্দ্ৰীকৰণৰ কাৰণে সকলো তথ্যপাতি ক্ষেত্ৰ কাৰ্য্যালয়তে আছে।

(ঙ) পৰিষদত বৰ্তমান এনে ব্যৱস্থা নাই।
(চ) উত্থাপিত নহয়।
(ছ) পৰিষদত এজুহক বা মাষ্টাৰ ৰোলত নিযুক্তি দিয়াৰ কোনো নৰ্মচ নাই।

মাননীয় অধ্যক্ষ ঃ— এতিয়া আইটেম নং ২ ৰ ওপৰত মাননীয় সদস্য শ্ৰীনৰেন তাঁতীয়ে কব।

শ্ৰীনৰেন তাঁতী ঃ— মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ১৯৮৮ চনৰ ১০ মাৰ্চ তাৰিখৰ 'দৈনিক অসম' কাকতত প্ৰকাশিত 'আচামীৰ মৃত্যু'। শীৰ্ষক বাতৰিটোৰ প্ৰতি গৃহ মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিব।

মাননীয় অধ্যক্ষ মহোদয়, কথা হল যে শ্ৰীসনসাই পানীকাক আবকাৰী বিভাগে, পুলিচে গ্ৰেপ্তাৰ কৰি আনিলে। তাৰ পিচত ঢেকিয়াজুলি স্বাস্থ্য কেন্দ্ৰত মৃত্যু হল। ৩০২ ধাৰা অনুসৰি শ্ৰীপানীকাক গ্ৰেপ্তাৰ কৰি আনিছিল। কিন্তু কিয় এইটো কৰা হল। সাধাৰণ বেপাৰ কৰিছিল, লাওপানী তৈয়াৰ কৰাৰ কাৰণে তেওঁক পুলিচে গ্ৰেপ্তাৰ কৰি আনিছিল। কিন্তু অবৈধভাৱে ভোটানৰ পৰা বস্তু আহিছে,-- (ভইচ--কি বস্তু) মদ আহিছে। এফালে মেঘালয়ৰ পৰা, নগালেণ্ডৰ পৰা অহৰহ এইবিলাক আহি আছে। তেওঁলোকৰ ক্ষেত্ৰত চৰকাৰে তদন্ত কৰি কঠোৰ শাস্তি বিহিব লাগে। সামান্য এজন লাও-পানী তৈয়াৰ কৰা মানুহৰ ওপৰত এনেদৰে শাস্তি দি একো লাভ নাই।

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) ঃ মাননীয় সদস্য শ্ৰীনৰেন তাঁতীয়ে উত্থাপন কৰা দৃষ্টি আকৰ্ষক জাননীৰ সম্পৰ্কত সম্মানিত এজনক জনাব বিচাৰিছো যে যোৱা ২—৩—৮৮ তাৰিখে নিশা ৯—৩০ বজাত শ্ৰীৰতি ৰাম পানীকা পিতা স্বৰ্গীয় বদৰকৰ পানীকা নামৰ মানুহ জনে ঢেকীয়াজুলি আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰি জনায় যে ২—৩—৮৮ তাৰিখে ৰাতিপুৱা ৬ বজাত আবকাৰী বিভাগৰ লোকে আছুৰমাৰীৰে তেওঁৰ মোমায়েক শ্ৰীসনসাই পানীকাক অবৈধ ভাৱে দেশীয় মদ ৰখাৰ অপৰাধত গ্ৰেপ্তাৰ কৰি আনে। তেওঁ মোমায়েকক জামিনত নিবৰ কাৰণে আবকাৰী বিভাগৰ কাৰ্য্যালয়লৈ যোৱাত জামিনত নিব নোৱাৰে বুলি তেওঁক জনায়। তেওঁ আবকাৰী বিভাগৰ কৰ্মচাৰীৰ পৰা জানিব পাৰিছিল যে তেওঁৰ মোমায়েকক আবকাৰী বিষয়াই মাৰধৰ কৰিছিল। তাৰ পিছত তেও ঘৰলৈ ঘূৰি আহি সেই দিনাই মোমায়েকক জামিনত নিবৰ কাৰণে পদুনৰ ঢেকিয়াজুলিৰ আবকাৰী বিষয়াৰ কাৰ্য্যা-লয়লৈ যায়। কিন্তু তেওঁ জানিব পাৰিলে যে মোমায়েকক অজ্ঞান অৱস্হাত ঢেকিয়াজুলি স্বাস্হ্য কেন্দ্ৰলৈ পঠোৱা হয় আৰু তাতে তেওঁক মৃত্যু হয়। এই মৰ্মে এজাহাৰ পোৱাত ঢেকিয়াজুলি থানাত ভাৰতীয় দণ্ড বিধি আইনৰ ৩০২ ধাৰাৰ অধীনত মোঃ নং ৬৭/৮৮ পঞ্জীভূক্ত কৰা হয়। ঢেকিয়াজুলি থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই তৎমুহূৰ্তে ঢেকিয়াজুলি প্ৰাথমিক স্বাস্হ্য কেন্দ্ৰ লৈ গৈ কাৰ্যবাহী দণ্ডাধীশৰ উপস্হিতিত চুৰত হালৰ আৰু মৰণোত্তৰ পৰীক্ষাৰ কাৰণে তেজপুৰৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। উক্ত গে)চৰ সংক্ৰান্তত আবকাৰী পৰিদৰ্শক শ্ৰীভৱানী কাৰ্কতিক গ্ৰেপ্তাৰ কৰি হাজোতলৈ প্ৰেৰণ কৰে। এই বিষয়ত জোৰ তদন্ত চলি আছে আৰু পৰিস্হিতি যাতে বেয়াৰ ফালে ঢাল নাখাই সেই বিষয়ত জিলা দণ্ডাধীশে চোকা নজৰ ৰাখিছে।

## MATTER UNDER RULE 301

Mr. Speaker :—Now, Item No. 3 Honbl'e Member Shri Kusumbar Tairai (Gogoi).

শ্ৰীকুসুম্বৰ টাইৰাই গগৈ ঃ— মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য-পৰিচালনা নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত "অসমত গুৱাহাটীৰ পৰা ডিব্ৰুগড়লৈকে ব্ৰডগজৰেল লাইন সম্প্ৰসাৰণ" এই সম্পৰ্কীয় বিষয়টি উত্থাপনৰ জৰিয়তে পৰিবহন মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিব খুজিছো।

মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো এই কাৰণেই উত্থাপন কৰিছো যে, আমাৰ অসমৰ বিভাগীয় মন্ত্ৰীয়ে কেন্দ্ৰীয় চৰকাৰৰ ৰেল বিভাগৰ লগত যোগাযোগ কৰি অসমত ব্ৰডগজ লাইন গুৱাহাটীৰ পৰা ডিব্ৰুগড়লৈকে নিয়াৰ ক্ষেত্ৰত কি কাৰ্য্য ব্যৱস্থা গ্ৰহন কৰিছে তাকে জানিবৰ কাৰণেই এই বিষয়টো আজি উত্থাপন কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্য বিলাকত ব্ৰডগজ লাইন বহুউৰ ক্ষেত্ৰত কোনো হেমাহি কৰা নাই। কিন্তু অসমৰ ক্ষেত্ৰতহে হেমাহি কৰা পৰিলক্ষিত হৈছে। এখন উদ্যোগ প্ৰধান নগৰী হিচাবে যত তেল, চাহপাত, কাঠ, কয়লা আদি সম্পদেৰে ভৰপুৰ হৈ আছে তালৈ ব্ৰডগজ ৰেল লাইন সম্প্ৰসাৰণ কৰাটো নিতান্তই উচিত আছিল। তিনিচুকীয়া, ডিব্ৰুগড়কে আদি কৰি সমগ্ৰ উজনী অসমত কেন্দ্ৰীয় চৰকাৰৰ অৰ্গেনাইজেশ্বন্য বিলাক যেনে, আই, অ, চি, এ, অ, চি, অ, এন, জি, চি ইত্যাদিকে আদি কৰি অসংখ্য কেন্দ্ৰীয় চৰকাৰৰ অনুষ্ঠানেৰে ভৰপুৰ হৈ আছে। সেই ফালৰ পৰা তালৈ ব্ৰডগজ ৰেল লাইন সম্প্ৰসাৰণ কৰা উচিত আছিল। কিন্তু তাৰ পৰিবৰ্ত্তে আমি গমপোৱা মতে ইতিমধ্যে লাম ডিঙৰ পৰা কাছাৰলৈকেহে এই ব্ৰডগজ ৰেল লাইন সম্প্ৰসাৰণ কৰাৰ কাৰণে চাৰ্ভে ইত্যাদি কৰা হৈছে বুলি আমি গম পাইছো। সেয়ে হলে এইটো এটা অতি পৰিতাপৰ কথা হব। সেয়ে এই পৰিপ্ৰেক্ষিতত আমাৰ গণ পৰিষদ চৰকাৰৰ বিভাগীয় মাননীয় মন্ত্ৰীয়ে কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট মন্ত্ৰীৰ লগত কি যোগাযোগ কৰিছে আৰু কি পৰ্য্যায়ত এই কথাটো আছে তাকে জানিবৰ কাৰণেই আজি এই গুৰুত্বপূৰ্ণ প্ৰস্তাৱটো উত্থাপন কৰি জানিব খুজিছো।

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীকুসুম্বৰ টাইৰাই গগৈয়ে 'অসমত গুৱাহাটীৰ পৰা ডিব্ৰগড়লৈকে ব্ৰডগজ ৰেল লাইন সম্প্ৰসাৰণ' শীৰ্ষক যিটো মনোযোগ আকৰ্ষক প্ৰস্তাৱ আনিছে এই পৰিপ্ৰেক্ষিতত আমাৰ বক্তব্য এনে ধৰণৰঃ

ব্ৰডগজ লাইনটো গুৱাহাটীৰ পৰা উজনি অসমলৈ সম্প্ৰসাৰণ কৰাটো অসমৰ উন্নতিৰ কাৰণে অতি প্ৰয়োজন। যিহেতু বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ অধীনত, ৰাজ্য চৰকাৰে এই বিষয়ে শীঘ্ৰে ব্যৱস্থা লবলৈ কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি আহিছে।

১৯৮৭ চনৰ ছেপ্তেম্বৰ মাহতে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক জনায় যে নগাওঁ, যোৰহাট আৰু শিৱসাগৰ চহৰক সংলগ্ন কৰি গুৱাহাটীৰ পৰা ডিব্ৰুগড়লৈ এটা নতুন ব্ৰডগজ ৰেল লাইনৰ জৰীপৰ কাম সম্পূৰ্ণ হৈছে। লগতে বৰ্তমানৰ গুৱাহাটীৰ পৰা ডিব্ৰুগড়লৈ থকা মিটাৰ গজ ৰেল লাইনক ব্ৰডগজ লাইনলৈ ৰূপান্তৰিত কৰাৰ সম্পৰ্কেও জৰীপৰ কাম শেষ কৰা হৈছে।

উক্ত জৰীপৰ ৰিপোৰ্ট যোজনা আয়োগলৈ বিবেচনা আৰু অনুমোদনৰ বাবে পঠিওৱা হৈছে বুলিও কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক জনায়।

এই সম্পৰ্কে অধিক খবৰ কেন্দ্ৰীয় চৰকাৰৰ পৰা এতিয়ালৈ পোৱা নাই। যিহেতু আগতে উল্লেখ কৰা মতে উজনি অসমলৈ ব্ৰডগজ সম্প্ৰসাৰণ ৰাজ্যখনৰ উন্নতিৰ কাৰণে অতি প্ৰয়োজন, ৰাজ্য চৰকাৰে এই বিষয়ে আশু ব্যৱস্থা লবলৈ কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ চলাই থাকিব।

Hon'ble Speaker - Now, item No. 4. Now, the Budget Speech and Budget papers will be circulated among the Members.

( Papers were Circulated )

Shri Prafulla Kr. Mahanta, (Chief Minister)— Sir, I beg to present the Budget Estimate of the Government of Assam for the year 1988-89.

২। অসম গণ পৰিষদ চৰকাৰে কাৰ্য্যকালৰ দুবছৰ সম্পূৰ্ণ কৰিছে। দুবছৰৰ আগতে ৰাজ্যখনৰ শাসনভাৰ হাতত লোৱা সময়ত আমি অসমৰ জনগণৰ পবিত্ৰ সেৱা কাৰ্য্যত নিজকে উৎসৰ্গা কৰাৰ সংকল্প লৈছিলো। আমাৰ জনগণৰ আশা-আকাংখা পূৰণৰ অৰ্থে সেই কামত অবিচল লৈ থকাটোৱেই আমাৰ আন্তৰিক প্ৰচেষ্টা হব। অৱশ্যে, অসম চুক্তি সম্পূৰ্ণকৈ ৰূপায়ণ কৰাটোত আমি সৰ্বাধিক গুৰুত্ব দিম।

৩। বিগত বছৰৰ দৰে চলিত বছৰতো ৰাজ্যখনে যথেষ্ট পৰিমাণে অৰ্থনৈতিক হেচাৰ সম্মুখীন হবলগীয়া হয়। উপৰ্যুপৰি হোৱা কেইবাটাও বানপানীৰ ফলত জনসাধাৰণে যথেষ্ট দুখ-কষ্টৰ সম্মুখীন হবলগীয়া হয় আৰু ৰাজ্যখনৰ অৰ্থনৈতিক দিশতো প্ৰচুৰ ক্ষতি সাধন হয়। শস্য পথাৰ আৰু উৎপাদনৰ ক্ষেত্ৰত হোৱা ক্ষয়-ক্ষতি অতি ব্যাপক আছিল। জনসাধাৰণৰ দৃঢ় মনোবল আৰু ৰাজ্য চৰকাৰৰ যৎপৰোনাস্তি চেষ্টাৰ ফলত আমি অবিচলিত সাহসেৰে এই দুৰ্য্যোগৰ সম্মুখীন হবলৈ সমৰ্থ হওঁ।

৪। মই ১৯৮৮—৮৯ চনৰ গোটেই বছৰটোৰ বাবে বাজেট উত্থাপন কৰিবলৈ বিচাৰিছো। তদুপৰি ১৯৮৮—৮৯ চনৰ সম্পূৰ্ণ বাজেটৰ বিবেচনা আৰু অনুমোদন হোৱাৰ আগতেই ১৯৮৮ চনৰ এপ্ৰিলৰ পৰা জুন মাহলৈ এই তিনি মাহৰ কাৰণে লেখা অনুদানো (ভোট-অন-একাউন্ত) বিচাৰিছো। উল্লেখযোগ্য যে পৰিকল্পনা আয়োগে ১৯৮৮—৮৯ চনৰ ৰাজ্যিক বাৰ্ষিক পৰিকল্পনা পলমকৈ চূড়ান্ত কৰা হেতুকে আগতীয়াকৈ বাজেট উত্থাপন কৰিব পৰা নহল।

৫। বাজেট প্ৰস্তাৱলৈ যোৱাৰ আগতে ৰাজ্যখনৰ সাধাৰণ অৰ্থনৈতিক অৱস্থাৰ বিষয়ে মই এটি চমু আভাস দাঙি ধৰিব খুজিছো।

### বিঃ ৰাজ্যিক আয়

৬। দ্ৰুত হিচাপ অনুসৰি ১৯৮৬—৮৭ চনৰ বছৰটোত ৰাজ্যৰ প্ৰকৃত ঘৰুৱা উৎপাদন চলিত মূল্যৰ হিচাপত ১০·১ শতাংশ বৃদ্ধি পাইছে। এই বৃদ্ধিৰ পৰিমাণ হল ১৯৮৫—৮৬ চনৰ সাম্প্ৰতিক ৪৭৭৭·৩ কোটি টকাৰ পৰা ১৯৮৬—৮৭ চনৰ বছৰত দ্ৰুত হিচাপত ৫২৫৯·২ কোটি টকা। ১৯৭০—৭১ চনৰ স্থিৰ মূল্যৰ হিচাপত ৰাজ্যিক ঘৰুৱা উৎপাদন ১৯৮৫—৮৬ চনৰ সাম্প্ৰতিক হিচাপৰ ১৩৯৩·৯ কোটি টকাৰ পৰা ১৯৮৬—৮৭ চনৰ বছৰত দ্ৰুত হিচাপত ১৪৪৩·৪ কোটি টকালৈ বৃদ্ধি পায় অৰ্থাৎ এই বৃদ্ধিৰ পৰিমাণ হল ৩·৬ শতাংশ। চলিত মূল্যৰ হিচাপত ৰাজ্যৰ জনমূৰি ঘৰুৱা উৎপাদন ১৯৮৫—৮৬ চনৰ সাম্প্ৰতিক হিচাপৰ ২০৬৮·৪ টকাৰ পৰা ১৯৮৬—৮৭ চনৰ বছৰটোৰ দ্ৰুত হিচাপত ২২০৪·৩ টকালৈ বৃদ্ধি পায় অৰ্থাৎ বছৰটোৰ এই বৃদ্ধিৰ হাৰ হল ৬·৬ শতাংশ। স্থিৰ মূল্যৰ হিচাপত ৰাজ্যৰ জনমূৰি প্ৰকৃত ঘৰুৱা উৎপাদন ১৯৮৫—৮৬ চনৰ সাম্প্ৰতিক হিচাপৰ ৬০৩·৫ টকাৰ পৰা ১৯৮৬—৮৭ চনৰ বছৰটোত দ্ৰুত হিচাপত ৬০৫·০ টকালৈ বৃদ্ধি পায়।

### মূল্য পৰিস্থিতি

৭। মূল্যৰ উৰ্দ্ধগামী গতি এক সৰ্ব ভাৰতীয় সমস্যা আৰু ১৯৮৭—৮৮ ৰ বছৰটোত হোৱা মূল্য বৃদ্ধিৰ প্ৰৱণতাৰ অসমো ব্যতিক্ৰম নহয়। ১৯৮৭ ৰ প্ৰথম ৯ মাহলৈকে পোৱা পৰিসংখ্যা অনুসৰি ৰাজ্য খনৰ গড় হিচাপত সাধাৰণ পাইকাৰী মূল্যসূচী ১৯৮৬ ৰ ওপৰোক্ত একে সময়ছোৱাৰ তুলনাত ৯·৫ শতাংশ বৃদ্ধি পায়। ইয়াৰ তুলনাত ১৯৮৫ চনতকৈ ১৯৮৬ চনত বাৰ্ষিক মূল্যসূচী গড়ে ৫·৯

শতাংশলৈ বৃদ্ধি পায়। ১৯৮৭ চনৰ প্ৰথম ৮ মাহত শ্ৰমিক শ্ৰেণীৰ ক্ষেত্ৰত গ্ৰাহক সূচী (ভিত্তি ১৯৪৯=১০০) ১৯৮৬ চনৰ একে সময় ছোৱাৰ তুলনাত ৯·১ শতাংশ বৃদ্ধি পায়। ইয়াৰ বিপৰীতে ১৯৮৫ চনৰ তুলনাত ১৯৮৬ চনত এই বাৰ্ষিক বৃদ্ধি গড় হিচাপত সামান্য হ্ৰাস (৭·৯ শতাংশ) পায়। মূল্যবৃদ্ধি প্ৰতিৰোধ কৰাৰ বাবে চৰকাৰে ৰাজহুৱা বিতৰণ প্ৰণালীৰ জৰিয়তে অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণৰ ব্যৱস্থা গ্ৰহন কৰি গ্ৰাহকক কিছু সকাহ দিয়ে।

কৃষি

৮। বছৰটোত এটাৰ পিচত এটাকৈ হোৱা বানপানীয়ে কৃষিৰ ক্ষেত্ৰত গুৰুতৰ দুৰ্যোগৰ সৃষ্টি কৰে। অৱশ্যে বান আক্ৰান্ত অঞ্চলত ৰবি শস্য আঁচনিৰ জৰিয়তে লোৱা ব্যাপক ব্যৱস্থাই কিছু সফল দিয়ে। চলিত বছৰত শৰৎকালীন ধানৰ উৎপাদন কিছু বৃদ্ধি পোৱা পৰিলক্ষিত হয় আৰু শৰৎকালীন ধানৰ উৎপাদনো আগৰ বছৰৰ তুলনাত সন্তোষজনক হব বুলি আশা কৰা হৈছে। ১৯৮৭—৮৮ চনৰ বছৰটোত শৰৎকালীন ধানৰ উৎপাদন পৰিমাণ ১৯৮৬—৮৭ চনৰ ৩·৩৫ লাখ টনৰ বিপৰীতে ৪·১৪ লাখ টন হব বুলি অনুমান কৰা হৈছে। বছৰটোত ৰবি শস্যৰ উৎপাদনো সন্তোষজনক হব বুলি আশা কৰা হৈছে। অৱশ্যে মৰাপাটৰ উৎপাদন ১৯৮৬—৮৭ চনত হোৱা ৯·৫১ লাখ গাঁঠিৰ ঠাইত ১৯৮৭—৮৮ চনৰ বছৰত ৮·৮২ লাখ গাঁঠিলৈ হ্ৰাস পায়। আনহাতে মেষ্টাৰ (মেস্টা) উৎপাদন ১৯৮৬—৮৭ চনৰ ৪৩·৬৬ হাজাৰ গাঁঠিৰ বিপৰীতে ১৯৮৭—৮৮ চনত ৪৪·০৮ হাজাৰ গাঁঠিলৈ বৃদ্ধি পায়। মাহজাতীয় শস্য আৰু তৈলবীজৰ উৎপাদন বৃদ্ধিৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। ১৯৮৬—৮৭ চনৰ বছৰত মাহ-জাতীয় শস্য আৰু তৈলবীজৰ সামগ্ৰিক উৎপাদনৰ পৰিমাণ আছিল ক্ৰমে ৬০ হেজাৰ আৰু ১৬৫ হেজাৰ টন। উৎপাদনৰ ক্ষেত্ৰত উল্লেখযোগ্য সফলতা লাভ কৰাৰ উদ্দেশ্যে অসমৰ ১৩ খন জিলাক ৰাষ্ট্ৰীয় তৈলবীজ উন্নয়ন আঁচনিৰ অন্তৰ্ভুক্ত কৰা হৈছে।

উদ্যোগ, খনি আৰু খনিজ সম্পদ

৯। ১৯৮৭ চনৰ বছৰটোত উদ্যোগ আৰু খনিজদ্ৰব্যৰ খণ্ডত ৰাজ্যখনৰ সামগ্ৰিক উৎপাদন পৰিস্থিতি প্ৰায় সন্তোষজনক আছিল বুলিয়েই কব পাৰি। ১৯৮৭ চনৰ প্ৰথম ৯ মাহৰ পৰিসংখ্যাৰ পৰা দেখা যায় যে চাহপাত, সাৰ, চেনী, পেট্ৰোলিয়াম সামগ্ৰী, চিমেণ্ট, মৰাপাট, বস্ত্ৰশিল্প, জুইশলা, কয়লা আৰু প্ৰাকৃতিক গেছ আদিৰ দৰে ঔদ্যোগিক আৰু খনিজ সামগ্ৰীৰ উৎপাদন সন্তোষজনক আছিল। অৱশ্যে এই সময়ছোৱাত প্লাইউড আৰু পেট্ৰোলিয়ামৰ (খাৰুৱা তেল) উৎপাদন কিছু হ্ৰাস পোৱা দেখা যায়।

ৰাজ্য চৰকাৰৰ ১৯৮৬ চনৰ ঔদ্যোগিক নীতি অনুসৰি চৰকাৰে স্থানীয় উদ্যোগীৰ জৰিয়তে গ্ৰাম্য ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ স্থাপনত অধিকতৰ অগ্ৰাধিকাৰ দিছে। সম্ভাৱনাপূৰ্ণ উদ্যোগীক চিনাক্ত কৰা আৰু অনুপ্ৰাণিত কৰাৰ উদ্দেশ্যে চৰকাৰে ৰাজ্যৰ আটাইকেইখন জিলা আৰু মহকুমা সদৰত ঔদ্যোগিক অভিযান তথা কৰ্মশালাৰ আয়োজন কৰিছে। অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ উদ্যোগীৰ বাবেও সুকীয়াকৈ এনে অভিযানৰ আয়োজন কৰিবলৈ চৰকাৰে প্ৰস্তাৱ কৰিছে। হস্তশিল্প খণ্ড, ক্ষুদ্ৰ আয়তনৰ গোট আৰু এছ-ই-ই-ইউ-আইৰ অধীনত গ্ৰহন কৰা বিভিন্ন আঁচনিয়ে ১৯৮৮-৮৯ চনৰ বছৰটোত প্ৰায় ৩৫ হেজাৰ লোকক কৰ্ম সংস্থানৰ সুবিধা আগবঢ়াব বুলি আশা কৰা হৈছে। তদুপৰি মজলীয়া আৰু বৃহৎ প্ৰকল্পৰ অন্তৰ্গত আঁচনি সমূহেও প্ৰায় ১০ হেজাৰ লোকৰ বাবে কৰ্ম-সংস্থানৰ পথ প্ৰশস্ত কৰিব বুলি আশা কৰা হৈছে।

প্ৰতিষ্ঠানিক বিত্ত

১০। ১৯৮৭ চনৰ মাৰ্চ মাহলৈকে অসমত অনুসূচীত বাণিজ্যিক বেংকৰ শাখা হৈছে মুঠ ৯৮১ টা। অসমত প্ৰতিটো বেংকে সামৰা জনসংখ্যাৰ হিচাপত ৰাজ্যখনত বৰ্তমানলৈকে বেংকৰ সংখ্যা [illegible]

হৈয়ে আছে। ১৯৮৭ চনৰ মাৰ্চ মাহলৈকে অসমত প্ৰতি ২০,০০০ জনসংখ্যাৰ মাজত এটা বেংকহে আছিল। আনহাতে সেই সময়ছোৱাত সৰ্বভাৰতীয় গড় হল প্ৰতি ১৩,০০০ জনসংখ্যাৰ মাজত এটা বেংক। ১৯৮৬—৮৭ চনত ভাৰতীয় ৰিজাৰ্ভবেংকে প্ৰকাশ কৰা মুদ্ৰা আৰু বিত্ত প্ৰতিবেদন (ৰিপোৰ্ট অন কাৰেন্সি এণ্ড ফাইনেনচ, ১৯৮৬—৮৭) অনুসৰি ১৯৮৬ চনৰ ডিচেম্বৰত ৰাষ্ট্ৰীয় গড় শতকৰা ৬৩ ভাগৰ ঠাইত অসমত ঋণ আৰু জমাৰ অনুপাত আছিল কেৱল শতকৰা ৫১·৪ ভাগ। ভাৰতীয় ৰিজাৰ্ভবেংকে প্ৰকাশ কৰা ৯৮০ টা বেংকৰ পৰিসংখ্যাৰ এখনি তিনিমহীয়া হাতপুথিৰ পৰা দেখা যায় যে ১৯৮৭ চনৰ মাৰ্চ মাহত বেংকত জমা ৰখা ধনৰ পৰিমাণ ১১৩৫·৪৭ কোটি টকালৈকে বৃদ্ধি পায় আৰু আনহাতে ঋণৰ পৰিমাণ হয়গৈ ৬২৮·০৬ কোটি টকা। ইয়াত প্ৰতিফলিত সৰ্বভাৰতীয় শতকৰা ৬৪·৭ ভাগৰ বিপৰীতে অসমত ঋণ আৰু জমাৰ অনুপাত প্ৰতিফলিত হৈছে শতকৰা ৫৫·৩ ভাগ।

বিদ্যুৎ

১১। বঙাইগাওঁ তাপবিদ্যুৎ কেন্দ্ৰ আৰু নামৰূপ তাপ বিদ্যুৎ কেন্দ্ৰৰ এটা গোট বন্ধ হৈ যোৱাৰ ফলত ১৯৮৭—৮৮ চনৰ বছৰটোৰ আৰম্ভণিত ৰাজ্যখনে বিজুলীশক্তি উৎপাদন আৰু সৰবৰাহত কিছু অসুবিধা ভোগ কৰিব লগা হয়। অৱশ্যে বছৰটোৰ শেষৰ ফাললৈ বঙাইগাওঁ তাপ বিদ্যুৎ কেন্দ্ৰৰ ৪টা গোটৰ ভিতৰত ৩ টা গোটৰ কাম পুনৰ আৰম্ভ হোৱাত বিদ্যুৎ খণ্ডত কাম-কাজৰ কিছু উন্নতি পৰিলক্ষিত হয়। ১৯৮৫—৮৬ চনৰ শেষৰ ফালে ৪০৯·৪ মেগাৱাট সামৰ্থ্যৰ বিপৰীতে ১৯৮৭—৮৮ চনৰ সময়ছোৱাত বিদ্যুৎৰ মুঠ প্ৰতিষ্ঠাপিত সামৰ্থ্য হল ৪৮৪·৪ মেগাৱাট। উৎপাদন আৰু প্ৰতিষ্ঠাপিত সামৰ্থ্যৰ মাজৰ ব্যৱধান কমোৱাৰ উদ্দেশ্যে বৰ্ত্তমানে থকা প্ৰকল্প সমূহৰ উৎপাদন সামৰ্থ্য বঢ়াবলৈ ব্যৱস্থা হাতত লোৱা হব ধৰিছে।

গ্ৰাম্য বৈদ্যুতিকৰণৰ দিশত ১৯৮৭ চনৰ ৩১ মাৰ্চলৈকে ১৫,৭২৯ খন গাঁৱত বিজুলীশক্তিৰ ব্যৱস্থা কৰা হৈছে আৰু ইয়াৰ দ্বাৰা ৰাজ্যখনৰ সৰ্বমুঠ গাঁৱৰ ভিতৰত প্ৰায় ৭১·৫ শতংশ গাওঁ ইতিমধ্যে এই ব্যৱস্থাৰে সামৰা হৈছে। চলিত বছৰটোত ২১৮৫ খন গাঁৱত বিজুলীশক্তি যোগান ধৰাৰ লক্ষ্য লোৱা হৈছে।

চলিত বছৰৰ ১২৯·৮৭ কোটি টকাৰ ঠাইত ১৯৮৮—৮৯ বছৰটোৰ বাবে বিদ্যুতৰ অনুমোদিত পৰিকল্পনা ব্যয় ১৪২·১৩ কোটি টকা ধাৰ্য্য কৰা হৈছে। এই পৰিমাণৰ পৰিকল্পনা আৱণ্টনৰ ধনৰ ব্যয় বহন কৰিবলৈ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ আভ্যন্তৰীণ সম্পদ নিৰ্দ্ধাৰণ কৰা হৈছে (—)৩৯·৪২ কোটি টকা। বিদ্যুৎ পৰিষদে ৮১·৪৭ কোটি টকা প্ৰতিষ্ঠানিক উৎস আৰু বজাৰ ঋণৰ পৰা সংগ্ৰহ কৰিব। ৰাজ্য চৰকাৰে ১০০·০৮ কোটি টকা ঋণ হিচাপে আগবঢ়াব। ইয়াৰ ফলত ৩৯·৪২ কোটি টকাৰ ঘাটি পূৰোৱাৰ উপৰিও অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ মুঠ সম্পদৰ পৰিমাণ হবগৈ ১৪২·১৩ কোটি টকা।

বন

১২। বনাঞ্চলক কেৱল ৰাজহৰ উৎসৰূপে ব্যৱহাৰ কৰাৰ পৰিবৰ্ত্তে ইয়াৰ সংৰক্ষণৰ ওপৰতহে গুৰুত্ব দি থকা হৈছে। বেদখলৰ বিৰুদ্ধে চোকা দৃষ্টি ৰখা আৰু বৃক্ষৰোগণৰ জৰিয়তে ধ্বংস হৈ যোৱা বনাঞ্চলক পুনৰ জীৱিত কৰাটোৱেই হল বৰ্ত্তমানৰ সবাতোকৈ প্ৰয়োজনীয় কথা। বনাঞ্চল নিৰ্মূলৰ পৰিণতি সুদূৰপ্ৰসাৰী। ব্যাপক খহনীয়া, উপৰ্য্যুপৰি হোৱা প্ৰলয়ংকৰী বান আৰু তাৰ ফলত কৃষিৰ ক্ষেত্ৰত হোৱা ক্ষতি, বোকা-বালিৰে বহুত অঞ্চল পুৰতি পেলোৱা আৰু নদী-উপনদীৰ তলি ভাগ ভয়-লগাকৈ উঠি অহাৰ এটা প্ৰধান কাৰণ হৈছে বনৰ পৰিষৰ হ্ৰাস পোৱাটো। পাতলীয়াভাৱে অ'ত তত সিচৰিত হৈ থকা গছ-গছনিৰ সমষ্টিয়েই প্ৰকৃত বনাঞ্চল নহয় আৰু ই ভূ-ভাগৰ ভূ-জল সংৰক্ষণৰ দৰে

বহুমুখী দায়িত্ব পালনত সহায় কৰিব নোৱাৰে। এই পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখিয়েই চৰকাৰে ব্যৱসায়িক উদ্দেশ্যৰে গছ কটাটো বন্ধ কৰি ব্যাপক বৃক্ষৰোপণ আঁচনি গ্ৰহন কৰিছে। বন্যপ্ৰাণীৰ সংৰক্ষণ আৰু ৰাজ্যখনৰ ভৌগোলিক সীমাৰ ভিতৰতহে ঘাইকৈ পোৱা বিপন্ন বন্যপ্ৰাণী প্ৰজাতিক সুৰক্ষা দানৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। কাৰ্য্যকৰী ভাবে বন্যপ্ৰাণী সংৰক্ষণৰ বাবে অতিৰিক্ত ১৪০০ বৰ্গ কিলোমিটাৰ এলেকা বন্যপ্ৰাণী শাখাৰ অধীনলৈ অনাৰ ব্যৱস্থা কৰা হৈছে।

শিক্ষা, সাংস্কৃতিক পৰিক্ৰমা আৰু ক্ৰীড়া

১৩। শিক্ষাৰ ক্ষেত্ৰত আমাৰ গুৰুত্ব হব প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰা আৰু উচ্চ শিক্ষাৰ গুণগত উন্নয়ন সাধন কৰা। বিনামূলীয়া পাঠ্য-পুথি যোগান, স্কুলীয়া সাজ-পাৰ (ইউনিফৰ্ম), জলপানী আদি দিয়া উদগনিমূলক আঁচনিবোৰ অব্যাহত ৰখাৰ লগতে শিক্ষক প্ৰশিক্ষণৰ মানদণ্ড উন্নয়নতো মনোযোগ দিয়া হৈছে। এই বছৰত ছখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত+২ পৰ্য্যায়ত ব্যৱসায়িক পাঠ্যক্ৰম প্ৰৱৰ্ত্তন কৰা হৈছে। ১৯৮৮—৮৯ চনত অধিক স্কুল সামৰাকো প্ৰস্তাৱ কৰা হৈছে। অসম চৰকাৰৰ ১৪ দফীয়া কাৰ্য্যসূচীৰ অধীনত প্ৰতিটো মহকুমাতে দুখীয়া আৰু মেধৱী ছাত্ৰ-ছাত্ৰীৰ বাবে আদৰ্শ বিদ্যালয় স্থাপনৰো প্ৰস্তাৱ লোৱা হৈছে। অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ সুবিধাৰ বাবে বিশেষ মনোযোগ দিয়া হৈছে।

ৰাজ্যৰ বিভিন্ন অঞ্চলত কেইটামান সাংস্কৃতিক কেন্দ্ৰ স্থাপনৰ বাবে চৰকাৰে মঞ্জুৰী দিছে। জনজাতি অঞ্চলতো অতিৰিক্ত কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱ লোৱা হৈছে। সাংস্কৃতিক সঞ্চালকালয়ে উত্তৰ কাছাৰ পাহাৰৰ জনগণৰ পৰম্পৰাগত জীৱনৰ ভিত্তত প্ৰয়োজন কৰা 'দি লেণ্ড হোৱেৰ উইণ্ড ব্লউজ ফ্ৰি" নামৰ কথাছবিখনে ৰাষ্ট্ৰীয় পৰ্য্যায়ত প্ৰথম পুৰস্কাৰ লাভ কৰে। ৰাভা আৰু টিৱা নৃত্যৰ ভিডিঅ' কেছেট উলিওৱা হৈছে। মিছিং গীতৰ লং প্লেয়িং ৰেকৰ্ড আৰু বিষ্ণু প্ৰসাদ ৰাভাৰ গীতৰ এটা কেছেটো উলিওৱা হৈছে। উত্তৰ কাছাৰ পাহাৰৰ লোক কলা আৰু সংস্কৃতিৰ ওপৰত ৰচনা কৰা গ্ৰন্থ এখনৰ প্ৰকাশৰ কাম সম্পূৰ্ণৰ পথত। চৰকাৰে গুৱাহাটীত শংকৰদেৱ কলাক্ষেত্ৰ নামেৰে এটা সাংস্কৃতিক প্ৰকল্প স্থাপনৰো সিদ্ধান্ত লৈছে। কলা, সংস্কৃতি আৰু সাংবাদিকতাৰ ক্ষেত্ৰত শংকৰদেৱ বঁটা প্ৰৱৰ্ত্তন কৰা হৈছে।

ৰাজ্যখনত খেলা-ধূলাৰ উন্নয়নৰ অৰ্থে প্ৰতিটো উন্নয়ন খণ্ডতে পৰ্য্যায়ক্ৰমে একোখন ক্ষুদ্ৰ ষ্টেডিয়াম নিৰ্মাণ কৰি গ্ৰামাঞ্চলত গাথনিগত সা-সুবিধাৰ অধিক উন্নতি সাধনত গুৰুত্ব দিয়া হৈছে। কেইটামান চুইমিং পুল, যুৱ-নিবাস আৰু ইনড'ৰ ষ্টেডিয়াম নিৰ্মাণৰ কামো হাতত লোৱা হৈছে। ৰাজ্যখনৰ বিভিন্ন অংশত ভিন ভিন খেলৰ প্ৰতিভাবান উদীয়মান খেলুৱৈক উদগনি দিয়াৰ উদ্দেশ্যে প্ৰশিক্ষণৰ সুবিধা দিয়া হৈছে আৰু ইয়াৰ পৰা সন্তোষজনক ফলো পোৱা গৈছে। কেইবাজনো উদীয়মান ছাত্ৰ-ছাত্ৰীয়ে ৰাষ্ট্ৰীয় পৰ্য্যায়ত এথ্লেটিকচ, বেডমিন্টন, টেবুলটেনিছ, লনটেনিচ আৰু ছুইমিঙত পাৰদৰ্শিতা দেখুৱাব পাৰিছে। অহা বছৰত গুৱাহাটীৰ নিউ ফিল্ডত 'চিনথেটিক ট্ৰেক' প্ৰস্তুত কৰাৰ প্ৰস্তাৱ লোৱা হৈছে। অহা বছৰত গুৱাহাটীত এটা বহুমুখী ইনড'ৰ ষ্টেডিয়াম নিৰ্মাণৰো প্ৰস্তাৱ লোৱা হৈছে।

স্বাস্থ্য

১৪। 'দুহেজাৰ চনত সকলোৰে বাবে স্বাস্থ্য' এই লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যে স্বাস্থ্য সেৱাৰ উন্নয়নৰ কাৰণে বিভিন্ন আঁচনি আৰু কাৰ্য্যসূচী ৰূপায়নৰ ওপৰত অবিৰত প্ৰচেষ্টা চলাই থকা হব। উপকেন্দ্ৰ আৰু প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু সমূহীয়া স্বাস্থ্য কেন্দ্ৰৰ ব্যৱস্থা কৰি গ্ৰাম্য স্বাস্থ্য ক্ষেত্ৰত গাথনিগত সা-সুবিধা সৃষ্টি কৰাৰওপৰত অধিকতৰ প্ৰচেষ্টা চলোৱা হব। ৰাজ্যখনৰ

চিকিৎসা মহাবিদ্যালয় কেইখনৰ সা-সুবিধা বঢ়োৱাৰ বাবেও ব্যৱস্থা লোৱা হব ধৰিছে। জনসাধাৰণৰ বৰ্দ্ধিত চাহিদা পূৰণ কৰিবলৈ আৰু হাস্পাতাল/প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ সমূহৰ সুচল পৰিচালনাৰ বাবে চিকিৎসা আৰু প্ৰশিক্ষণপ্ৰাপ্ত ধাত্ৰীৰ সংখ্যাও বঢ়োৱা হৈছে।

পাৰ্বত্য অঞ্চল

১৫। পাৰ্বত্য জিলা দুখনৰ ঘাইকৈ কৃষি ভিত্তিক অৰ্থনীতিত ঝুমখেতিয়ে এতিয়াও প্ৰধান্য বিস্তাৰ কৰি আছে। জনসাধাৰণৰ মাজত প্ৰচলিত ঝুম খেতিৰ অভ্যাস এৰুৱাবলৈ ঝুমিয়া উন্নয়নমূলক আঁচনিখন কৃতকাৰ্য্যতাৰে ৰূপায়ণ কৰাৰ বাবে প্ৰচেষ্টা চলাই থকা হৈছে। এই আঁচনিখনৰ অধীনত আৰু অধিক গাঁৱ সামৰি লোৱা হব। ফলপ্ৰসুভাৱে ভূমি আবাদীকৰণৰ ব্যৱস্থা গ্ৰহন কৰাৰ লগে লগে তাত জলসিঞ্চনকো ব্যৱস্থা কৰা হব যাতে জেনে আবাদ কৰা ভূমি সোনকালে কৃষি কাৰ্য্যত ব্যৱহাৰ কৰিব পাৰি। কৃষি আঁচনি সমূহৰ ফলপ্ৰসু ৰূপায়নৰ বাবে প্ৰয়োজনীয় সম্প্ৰসাৰণ সেৱাৰ ব্যৱস্থা কৰাৰ উপৰিও আনাৰস, সুমথিৰা, কুঁহিয়াৰ, তেলৰ গুটি আদি কৃষিজাত সামগ্ৰীৰ ওপৰত নিৰ্ভৰশীল উদ্যোগ সমূহৰ উন্নিতকৰণৰ কামো চলাই থকা হব। কৃষিৰ অপৰিহাৰ্য্য স-সামগ্ৰী, বিশেষকৈ শস্যৰ বীজ সময়মতে বিতৰণ কৰি থকাৰ ব্যৱস্থা কৰি থকা হৈছে। সমাজ সেৱাৰ দিশত শিক্ষা, পানী যোগান, আৰু স্বাস্থ্য সেৱাৰ ওপৰত অগ্ৰাধিকাৰ দি থকা হব। স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত মেলেৰিয়া, কুষ্ঠ, যক্ষ্মা আৰু গলগণ্ড আদি ৰোগৰ বিৰুদ্ধে জনস্বাস্থ্য ব্যৱস্থা ব্যাপকতৰ কৰা আৰু গ্ৰাম্য স্বাস্থ্যৰ বুনিয়াদ শক্তিশালী কৰিবলৈ অধিকতৰ প্ৰচেষ্টা চলাই থকা হব। পাৰ্বত্য অঞ্চলৰ গ্ৰাম্য অৰ্থনীতি টনকিয়াল কৰা আৰু এই অঞ্চল সমূহৰ সামগ্ৰিক উন্নতি সাধন কৰাৰ লগতে বেচা-কিনা ব্যৱস্থাও সুচল কৰাৰ অৰ্থে পথ যোগাযোগ ব্যৱস্থাৰ উন্নয়নৰ ওপৰত প্ৰধান্য দি অহা হৈছে।

পাৰ্বত্য অঞ্চলৰ ১৯৮৮—৮৯ চনৰ বাৰ্ষিক পৰিকল্পনাত পৰিকল্পনা আয়োগে ৰাজ্যৰ পৰিকল্পনাৰ আধীনত ৪৩·৫০ কোটি টকা অনুমোদন জনাইছে। ইয়াৰোপৰি, সংযোজিত পৰিকল্পনাৰ অধীনত ২৭·৬৯ কোটি টকাৰ ব্যৱস্থা কৰা হৈছে।

অনুসূচীত জাতি, অনুসূচীত জনজাতি (ভৈয়াম) অন্যান্য পিছপৰা শ্ৰেণী আৰু প্ৰাক্তন চাহ বনুৱা সম্প্ৰদায়ৰ কল্যাণ

১৬। অনুসূচীত জাতি, অনুসূচীত জনজাতি, অন্যান্য পিছপৰা শ্ৰেণী আৰু প্ৰাক্তন চাহ বনুৱা সম্প্ৰদায়ৰ লোকৰ আৰ্থ-সামাজিক উন্নয়ন সাধনৰ অৰ্থে চৰকাৰে পিছপৰা খণ্ডৰ পৰিকল্পনা আঁচনি গ্ৰহন কৰিছে। এই আঁচনিবোৰ বিভিন্ন উন্নয়ন বিভাগে কাৰ্য্যকৰী কৰা সাধাৰণ পৰিকল্পনা আঁচনিৰ পৰিপূৰক। এই আচনিবোৰৰ সঠিক ৰূপায়ণ আৰু যাৰ কাৰণে এই আঁচনিবোৰ কৰা হৈছে তেওঁলোকে যাতে ইয়াৰ সুফল পায় তাৰ প্ৰতি চৰকাৰ অধিক সচেষ্ট হব। ১৯৮৮—৮৯ চনৰ ৰাজ্যিক বাৰ্ষিক পৰিকল্পনা আবণ্টনৰ পৰা ৬৩·১৪ কোটি টকা জনজাতি উপ-পৰিকল্পনাৰ অধীনত ধৰা হৈছে আৰু ৩২·১৮ কোটি টকা ধৰা হৈছে অনুসূচীত জাতিৰ বিশেষ সংযোগী পৰিকল্পনাৰ অধীনত সংযোজিত কেন্দ্ৰীয় সাহাৰ্য্যৰ দ্বাৰা জনজাতি উপ-পৰিকল্পনাৰ ৭·০৬ কোটি টকাৰে আৰু অনুসূচীত জাতিৰ বিশেষ পৰিকল্পনা ২·০২ কোটি টকাৰে বৃদ্ধি পাব।

নিয়োগ

১৭। নিয়োগৰ অধিক সুবিধা সৃষ্টি কৰিবলৈ প্ৰচেষ্টা চলাই থকা সত্বেও ৰাজ্যখনত বৰ্দ্ধিত নিবনুৱা সমস্যাটো উদ্বেগজনক হৈয়ে আছে। ৰাজ্যখনৰ সংগঠিত খণ্ডত ১৯৮৭ চনৰ জুন মাহৰ শেষলৈকে মুঠ নিয়োগৰ পৰিমাণ আগৰ বছৰৰ তুলনাত শতকৰা ২·০৩ ভাগ বৃদ্ধি পায়। ১৯৮৭ চনৰ

জুন মাহৰ শেষলৈহে নিযুক্তি পোৱা ১০·১২ লাখ লোকৰ ভিতৰত শতকৰা ৩২·০৫ ভাগেই মহিলা। নিয়োগ বিনিময় কেন্দ্ৰৰ চলিত পঞ্জীমতে ১৯৮৫ চনৰ জুন মাহৰ শেষলৈ থকা মুঠ ৬·০৩ লাখ চাকৰি প্ৰাৰ্থীৰ সংখ্যা বৃদ্ধি হৈ ১৯৮৬ চনৰ শেষলৈ ৮·১৫ লাখ হয় আৰু ই পুনৰ বৃদ্ধি হৈ ১৯৮৭ চনৰ আগষ্ট মাহৰ শেষলৈ মুঠ ৮·৪৮ লাখ হয়গৈ। ১৯৮৭ চনৰ আগষ্ট মাহৰ শেষলৈ শিক্ষিত চাকৰি প্ৰাৰ্থীৰ সংখ্যা আছিল প্ৰায় ৪·৬৬ লাখ। ই মুঠ চাকৰি প্ৰাৰ্থীৰ প্ৰায় শতকৰা ৫৫ ভাগ। ১৯৮৭ চনৰ চেপ্তেম্বৰ মাহৰ শেষলৈ অসম নিবনুৱা সাহায্য আঁচনিৰ অধীনত ৮৬৯৫ জন স্নাতকক সামৰি লোৱা হৈছে। ১৯৮৮—৮৯ চনৰ বছৰটোত মুঠ ৮৬০০ জন স্নাতকক এই আঁচনিৰে সামৰিব পৰা হব বুলি আশা কৰা হৈছে। কৃষি আৰু উদ্যোগ খণ্ডত আত্মনিয়োজনৰ কাৰণে যথেষ্ট সা-সুবিধা সৃষ্টি কৰিবলৈ ব্যৱস্থা লোৱা হব ধৰিছে।

দৰমহা আয়োগ

১৮। ৰাজ্য চৰকাৰৰ কৰ্মচাৰী সকলৰ দৰ্মহাৰ হাৰ আদি সংশোধনৰ বাবে ৰাজ্য চৰকাৰে এটা দৰ্মহা আয়োগ গঠনৰ সিদ্ধান্ত লৈছে। ইয়াৰ আগতে ১৯৭৯ চনৰ নবেম্বৰ মাহত গঠিত দৰ্মহা আয়োগৰ অনুমোদনাৱলী অনুসৰি ১৯৮১ চনৰ ১ জানুৱাৰীৰ পৰা দৰমহাৰ হাৰ সংশোধন কৰা হৈছিল।

বেংকৰ জৰিয়তে পেন্সন ব্যৱস্থা

১৯। বৰ্তমানে চৰকাৰী পেন্সন ভোগীয়ে তেওঁলোকৰ পেন্সনৰ টকা কোষাগাৰে বিল পাচ কৰাৰ পিচতহে বেংকৰ পৰা পায়। পেন্সন ভোগী সকলৰ এই অসুবিধাসমূহ দূৰ কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লেখীয়াকৈ ৰাজহুৱা খণ্ডৰ কিছুমান বেংকৰ জৰিয়তে পেন্সনভোগী সকলক পোনে পোনে পেন্সন আদায় দিয়া এক আঁচনি প্ৰস্তুত কৰিছে। এই আঁচনি প্ৰস্তুত কৰোতে সংশ্লিষ্ট বেংক, মহাগাণিনক, ভাৰতীয় ৰিজাৰ্ভ বেংক আৰু কেন্দ্ৰীয় বিত্ত সঞ্চালকালয়ৰ লগত আলোচনা বিলোচনা কৰিবলগীয়া হৈছিল। এনেদৰে প্ৰস্তুত কৰা আঁচনিখন ভাৰতীয় ৰিজাৰ্ভ বেংকলৈ ইতিমধ্যে পঠোৱা হৈছিল। ভাৰতীয় ৰিজাৰ্ভবেংকে দিয়া মন্তব্য আৰু স্পষ্টীকৰণৰ ভিত্তিত প্ৰয়োজনীয় সাল-সলনি ঘটাই আঁচনিখন ভাৰতীয় ৰিজাৰ্ভ বেংকৰ অনুমোদনৰ কাৰণে পুনৰ প্ৰেৰণ কৰা হৈছে।

ভাৰত-বাংলাদেশ সীমান্ত

২০। ভাৰত-বাংলাদেশ সীমান্তত সীমান্ত পথ নিৰ্মাণত বিশেষ মনোযোগ দিয়া হৈছে। ইতিমধ্যে ৰাজ্যিক গড়কাপ্তানি বিভাগে এই সম্পৰ্কীয় জৰীপ কাৰ্য্য চলাইছে আৰু পথ নিৰ্মাণ কাৰ্য্যও আৰম্ভ কৰিছে। সীমান্ত বেৰাৰ নক্সা আৰু বিস্তৃত বিৱৰণো চূড়ান্ত কৰা হৈছে।

পৰিকল্পনা ব্যয়

২১। ৰাজ্যখনৰ ১৯৮৮—৮৯ চনৰ বাৰ্ষিক পৰিকল্পনাৰ বাবে পৰিকল্পনা আয়োগে ৬১০ কোটি টকা অনুমোদন কৰিছে। ইয়াৰে ৫৬৬·৫০ কোটি টকা সাধাৰণ অঞ্চলৰ বাবে আৰু ৪৩·৫০ কোটি টকা পাৰ্বত্যাঞ্চলৰ বাবে অনুমোদন কৰা হৈছে। ই চলিত বছৰৰ আবণ্টন ৫৭৫ কোটি টকাৰ হিচাপতকৈ ৬·০৯ শতাংশ বেছি। এই আবণ্টিত ৬১০ কোটি টকাৰ পৰাই জনজাতি উপ-পৰিকল্পনাৰ বাবে ৬৩·১৪ কোটি টকা আৰু অনুসূচীত জাতিৰ সংযোগী পৰিকল্পনাৰ বাবে ৩২·১৮ কোটি টকা ধাৰ্য্য কৰা হৈছে। ইয়াৰ বাহিৰেও পাৰ্বত্য পৰিকল্পনা ব্যয়ৰ পৰিপূৰক হিচাবে ২৭·৬৯ কোটি টকাৰ সংযোজিত কেন্দ্ৰীয় সাহায্য পোৱা হব। ইয়াৰ লগতে জনজাতি উপ-পৰিকল্পনা আৰু অনুসূচীত জাতিৰ সংযোগী পৰিকল্পনাৰ বাবে সংযোজিত কেন্দ্ৰীয় সাহায্যৰ যোগেদি পোৱা ধনৰ ফলত অহা বছৰৰ পৰিকল্পনা আবণ্টনৰ ধনৰ পৰিমাণ আৰু বৃদ্ধি পাব। অৱশ্যে, এই সংযোজিত ধনৰ পৰিমাণ

এতিয়াও চূড়ান্ত নোহোৱাৰ কাৰণে চলিত বছৰত জনজাতি উপ-পৰিকল্পনাৰ বাবে ধাৰ্য্য কৰা তেনে সংযোজিত ধনৰ ৭·০৬ কোটি আৰু অনুসূচীত জাতি সংযোগী পৰিকল্পনাৰ বাবে ধাৰ্য্য কৰা ২·০২ কোটিৰ ব্যয়কে অহা বছৰতো ব্যয় কৰাৰ ব্যৱস্থা বাহাল ৰখা হৈছে। ৬১০ কোটি টকাৰ অনুমোদিত ব্যয়ৰ বাবে কেন্দ্ৰীয় সাহাৰ্য্য নিৰ্দ্ধাৰণ কৰা হৈছে ৫৩১·৮১ কোটি টকাত আৰু এই পৰিমাণ মুঠ ব্যয়ৰ ৮৮ শতাংশ।

বিত্তীয় দৃশ্যপট

২২। সংযুক্ত গণতান্ত্ৰিক দেশ এখনৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত সম্পদৰাজিৰ আৱণ্টন সমতাপূৰ্ণ হব লাগে। কিন্তু ভাৰতীয় পটভূমিত এই আৱণ্টনৰ ঢাল কেন্দ্ৰমুখীহে। ৰাজ্য সমূহতকৈ কেন্দ্ৰৰ সম্পদৰ ভিত্তি বহু ব্যাপক। আনহাতে আমি যেতিয়া অতিৰিক্ত সম্পদ বৃদ্ধি কৰিবলৈ বিচাৰোঁ তেতিয়া যথেষ্ট জটিলতা আহি পৰে।

আমাৰ ৰাজ্যখনৰ উদ্যোগ আৰু নগৰীকৰণৰ বৰ্তমান অৱস্থাত সম্পদ আহৰণৰ ক্ষেত্ৰত এক সীমাবদ্ধতাৰ সন্মুখীন হব লগীয়া হয়। ৰাজ্যখনৰ বাবে বিক্ৰীকৰ ৰাজহৰ এক ঘাই উৎস। কিন্তু আমাৰ সীমান্তত দুটা বিক্ৰীকৰ মুক্ত অঞ্চল যেনে অৰুণাচল প্ৰদেশ আৰু মিজোৰাম থকাত কৰ বঢ়োৱাৰ ক্ষেত্ৰত আমি কিছু নিৰস্ত হবলগীয়াত পৰিছোঁ জানোচা বৰ্দ্ধিত কৰৰ ফলত ব্যৱসায়ৰ গতি কৰ নোহোৱা ৰাজ্যৰ ফালে পৰিবৰ্ত্তিত হয়।

মাননীয় সদস্যসকলৰ নিশ্চয় মনত আছে যে বিগত দুবছৰৰ মোৰ বাজেট বক্তৃতাত মই কনচাইন-মেণ্ট কৰৰ সম্পৰ্কে উল্লেখ কৰিছিলো। ব্যাপক হাৰত ষ্টকৰ হস্তান্তৰৰ ফলত আমি যথেষ্ট পৰিমাণৰ ৰাজহ হেৰুৱাওঁ। ষ্টক হস্তান্তৰৰ ক্ষেত্ৰত যাতে কৰ লগাব পাৰি তাৰ বাবে সংবিধান সংশোধন কৰা হৈছে যদিও ভাৰত চৰকাৰে এই ক্ষেত্ৰত প্ৰণয়ন কৰিবলগীয়া প্ৰয়োজনীয় আইনখন এতিয়াও চূড়ান্ত কৰা নাই।

খাৰুৱা তেলৰ ৰয়েলিট ৰাজ্য চৰকাৰে এক ক্ষয়িষ্ণু সম্পদৰ পৰা পোৱা এটি গুৰুত্বপূৰ্ণ ৰাজহৰ উৎস। ৰয়েলিটৰ চলিত হাৰ হৈছে প্ৰতি মেট্ৰিকটনত ১৯২ টকা আৰু খাৰুৱাতেলৰ পৰা বৰ্তমানে হোৱা বাৰ্ষিক আয় প্ৰায় ৯৬ কোটি টকা। ১৯৮৭ চনৰ ১ এপ্ৰিলৰ পৰা ৰয়েলিটৰ হাৰ সংশোধন কৰিব-লগীয়া হৈ আছে। ৰাজ্য চৰকাৰে ইতিমধ্যে প্ৰতি মেট্ৰিকটনত ৩৪০ টকালৈ ৰয়েলিটৰ হাৰ বৃদ্ধি কৰাৰ দাবী জনাই এখন স্মাৰক পত্ৰ কেন্দ্ৰীয় চৰকাৰক দিছে। এই বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ ওচৰত নিষ্পত্তি নোহোৱাকৈ আছে:

আমি বিষয়টোৰ সন্দৰ্ভত যোগাযোগ কৰি আছো, কিন্তু ভাৰত চৰকাৰে যদিহে উপযুক্তভাবে এই হাৰ বৃদ্ধি নকৰে তেনেহলে আমি এক বৃহৎ পৰিমাণৰ ন্যায়সঙ্গত উপাৰ্জনৰ পৰা বঞ্চিত হৈ থাকিব লগা হব। আনহাতে ৰাজ্যখনৰ নিজা কৰ আৰু কৰ বহিৰ্ভূত ৰাজহৰ পৰা পোৱা সম্পদ বৰ্দ্ধিত ব্যয় বহন কৰাৰ বাবে যথেষ্ট নহয়। ৰাজ্যৰ পৰিকল্পনা বহিৰ্ভূত ব্যয়ৰ কথা বাদ দিলেও এটা কথা স্পষ্ট ভাবে প্ৰতীয়মান হয়যে আঞ্চলিক অসমতা সম্পূৰ্ণকৈ আতৰাব নোৱাৰিলেও অন্ততঃ কমোৱাৰ বাবে বিভিন্ন দিশত উন্নয়নৰ কাৰণে প্ৰভূত ধন বিনিয়োগৰ আৱশ্যক হয়। এনে বিনিয়োগ ঘাইকৈ কেন্দ্ৰীয় সাহায্যৰ জৰিয়তে বহন কৰা ৰাজ্যিক পৰিকল্পনা আৱণ্টনৰে অংশ বিশেষ। সেয়ে, উন্নয়নমূলক কাম-কাজ সমূহ হাতত লোৱাৰ বাবে ৰাজ্যিক পৰিকল্পনাৰ আকাৰ নূন্যতম চাহিদাৰ লগত সঙ্গতিপূৰ্ণ হোৱাটো প্ৰয়োজন। অৱশ্যে কেন্দ্ৰীয় সাহায্যৰ ক্ষেত্ৰত অনুদানতকৈ ঋণৰ পৰিমাণ অধিক। সাধাৰণ এলেকাৰ ক্ষেত্ৰত পৰিকল্পনাৰ বাবে পোৱা কেন্দ্ৰীয় সাহায্য হৈছে শতকৰা ৭০ ভাগ ঋণ আৰু শতকৰা ৩০ ভাগ অনুদান। আনহাতে পাৰ্বত্য এলেকাৰ ক্ষেত্ৰত কেন্দ্ৰীয় সাহায্যৰ পৰিমাণ হৈছে শতকৰা ৯০ ভাগ অনুদান আৰু শতকৰা ১০ ভাগ ঋণ। আমাৰ পাৰ্বত্য জিলা দুখনহে হোৱা হেতুকে পৰিকল্পনাৰ

বাবে সৰহ খিনি কেন্দ্ৰীয় সাহাৰ্য্য ৰাজ্য চৰকাৰে কেৱল ঋণ হিচাপেহে পায়। ইয়াৰ ফলত ৰাজ্য চৰকাৰে এক বৃহৎ ঋণৰ বোজা বহন কৰিব লগা হয়। ১৯৮৫—৮৬ চনৰ ২০৭৮·৭৮ কোটি টকাৰ বিপৰীতে আমাৰ ৰাজহুৱা ঋণৰ পৰিমাণ ইতিমধ্যে ২৩৪৬·৮৫ কোটি টকালৈ বৃদ্ধি পাইছে। ১৯৮৭—৮৮ চনত ই ২৭০১·৪০ কোটি টকালৈ বৃদ্ধি পাব বুলি ধাৰণা কৰা হৈছে। চলিত বছৰটোতে আমি ভাৰত চৰকাৰ আৰু অন্যান্য বিত্তীয় প্ৰতিষ্ঠানলৈ মূলধনপৰিশোধ আৰু সুতৰ বাবদ ৩৩১ কোটি টকা হস্তান্তৰ কৰিব লাগিব। আনহাতে চলিত বছৰৰ ৫৭৫ কোটি টকাৰ পৰিকল্পনাৰ বিপৰীতে কেন্দ্ৰীয় সাহাৰ্য্যৰ পৰিমাণ হল ৫৩০ কোটি টকা আৰু ঋণ পৰিশোধ আৰু সুত শোধ কৰাৰ বাবদ আমাৰ দেনাৰ পৰিমাণ ৩৩১ কোটি টকা। ৰাজ্যখনত উন্নয়নৰ অৰ্থে অধিক ধন বিনিয়োগ কৰিবলৈ সৰহ ধন ধাৰলৈ লোৱাৰ প্ৰয়োজন আৰু সৰহ ধন ধাৰলৈ লোৱা মানেই তদনুৰূপভাবে ঋণৰ বোজা বৃদ্ধি পোৱা। ৰাজ্যিক পৰিকল্পনাৰ আকাৰ বৃদ্ধি পোৱাৰ লগে লগে ৰাজ্য চৰকাৰৰ ঋণৰ বোজাও বাঢ়ি যাব আৰু ফলত ঋণ-বেহুত সম্পূৰ্ণকৈ বান্ধ খাব লাগিব। এইটো মন কৰিবলগীয়া কথা যে মুদ্ৰাস্ফীতিয়ে সমগ্ৰ মূল্য গাৰ্থনি ইমান বেয়াকৈ বিকৃত কৰিছে যে মূল আকাৰত পৰিকল্পনাৰ লক্ষ্য কাৰ্য্যকৰী কৰাটোকে প্ৰকৃততৰে অসম্ভৱ হৈ পৰিছে।

মুদ্ৰাস্ফীতিৰ ওপৰত ৰাজ্য চৰকাৰৰ পৰ্য্যাপ্ত নিয়ন্ত্ৰণ নাথাকে অথচ ইয়াৰ ফলত হোৱা ব্যয় বৃদ্ধিৰ বোজা ৰাজ্যয়ে বহন কৰিব লগীয়া হয়। মূল্য বৃদ্ধি আৰু মুদ্ৰাস্ফীতি সৰ্বভাৰতীয় সমস্যা আৰু ই অসংযত ঋণৰ সম্প্ৰসাৰণ আৰু অনিয়ন্ত্ৰিত অৰ্থ যোগান, দেশ-বিদেশৰ পৰা লোৱা ঋণ, ঘাটি বিত্তীয় ব্যৱস্থা, প্ৰশাসিৰ মূল্যমান বৃদ্ধি (ৰেইজিং অব এডমিনিচটাৰ্ড প্ৰাইজ) আদিৰ দৰে কেন্দ্ৰীয় চৰকাৰে অনুসৰণ কৰা নীতিৰেই ফল। বিনিয়োগ ব্যয় আৰু সম্পত্তি (এচিচ) ৰক্ষণা-বেক্ষণৰ ব্যয়ৰ ওপৰতো মুদ্ৰাস্ফীতিৰ পোনপটীয়া প্ৰভাব পৰে। মূল্য বৃদ্ধিৰ ফলত জনসাধাৰণৰ দুখ-কষ্ট বাঢ়ে আৰু অন্যান্য বিষয়ৰ লগতে চৰকাৰী দা-দৰমহাৰ নিৰিখৰে সংশোধনৰ প্ৰয়োজন হৈ পৰে। ইয়াৰ উপৰিও ভাৰত চৰকাৰে যেতিয়া কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী সকলৰ দৰমহাৰ হাৰ সংশোধন কৰে, তাৰ ফলস্বৰূপে ৰাজ্যিক চৰকাৰৰ কৰ্মচাৰী সকলৰ পৰাও তেনে বেতন সংশোধনৰ দাবী উঠে যাৰ ফলত ৰাজ্যিক ৰাজকোষৰ ওপৰত হেঁচা পৰে।

বৰ্তমান আমাৰ এনেহেন পৰিস্থিতিত নিঃসন্দেহে কব পাৰি যে ৰাজ্যসমূহ সংযুক্ত গণতান্ত্ৰিক গাৰ্থনিৰ সুস্থ আৰু শক্তিশালী অংশীদাৰ হবলৈ হলে কেন্দ্ৰৰ পৰা ৰাজ্যসমূহলৈ অধিক পৰিমাণৰ সম্পদ হস্তান্তৰ অপৰিহাৰ্য্য। বিত্ত আয়োগ সমূহৰ যোগেদি যি সম্পদ আমালৈ হস্তান্তৰ হৈছিল তাৰি দ্বাৰা উন্নয়নৰ বাবে ধন বিনিয়োগ কৰিবলৈ আমাৰ কোনো ৰাহি ধন নাছিল। অষ্টম বিত্ত আয়োগে ১৪৪৪·৪৬ কোটি টকাৰ নিৰ্দ্ধাৰিত ঘাটি পূৰোৱাৰ অৰ্থে প্ৰয়োনীয় ধনৰ উপৰিও অতিৰিক্ত ২২·৬৯ কোটি টকাৰ অনুমোদন জনাইছিল। এনেধৰণেৰে অতিৰিক্ত অনুদানৰ বাবে অষ্টম বিত্ত আয়োগে অনুমোদন কৰিছিল যাতে ঘাটি ৰাজ্য বিলাকে অনুদানৰ ক্ষেত্ৰতে বিশেষ সুবিধা লাভ কৰিব পাৰে। কিন্তু মুদ্ৰাস্ফীতি আৰু ইয়াৰ ফলত প্ৰতি দিশতে হোৱা ব্যয় বৃদ্ধিৰ বাবে নিৰ্দ্ধাৰিত ঘাটিৰ ওপৰত দিয়া অতিৰিক্ত অনুদান উদ্দেশ্য সাধনত নিষ্ফল হল। সেয়ে, ৰাজ্য সমূহৰ ৰাজহ ঘাটি বাস্তৱিক ভিত্তিত নিৰ্দ্ধাৰণ হোৱাটো অতীব প্ৰয়োজনীয়। এইদৰে নিৰ্দ্ধাৰণ কৰাৰ পাছত নিৰ্দ্ধাৰিত ঘাটিৰ উপৰিও যথেষ্ট সম্পদ ৰাজ্য সমূহলৈ হস্তান্তৰ কৰিব লাগিব যদিহে ৰাজ্য সমূহে উন্নয়নৰ উদ্দেশ্যে ধন বিনিয়োগ কৰাৰ অৰ্থসহ প্ৰচেষ্টা চলাব লাগে।

কিন্তু বাস্তৱিক ভিত্তিত আমাৰ চাহিদা নিৰ্দ্ধাৰণ কৰাৰ পৰিবৰ্ত্তে কেন্দ্ৰই বান সাহায্য দানৰ বেলিকাও অনুসৰণ কৰা পদ্ধতি এনেকুৱা যে ই প্ৰকৃততে আমাৰ বিত্তীয় অৱস্থাক প্ৰয়োজনীয় সকাহ নিদিয়ে। সকলোৱে জানে যে বানপানীৰ ধ্বংসকাৰ্য্যই আমাৰ অৰ্থনীতিক প্ৰতি বছৰে দুৰ্বল কৰে আৰু ইয়াৰ ফলত ৰাজ্যখনৰ ৰাজকোষৰ ওপৰতো গধুৰ বোজা পৰে। বৰ্তমানৰ ব্যৱস্থামতে প্ৰাকৃতিক দুৰ্যোগৰ ক্ষেত্ৰত নিৰ্দ্ধাৰিত প্ৰান্তীয় ধনতকৈ (মাৰ্জিন মানি) অধিক খৰচ কৰিবলগীয়া হলে এই অতিৰিক্ত খৰচৰ ৭৫ ভাগ কেন্দ্ৰই পৰিকল্পনা বহিৰ্ভূত অনুদান হিচাপে বহন কৰে যদিহে এই ব্যয়

কেন্দ্ৰীয় দলে (চেণ্ট্ৰেল টিম) অনুমোদন কৰা সৰ্বোচ্চ সীমাৰ ভিতৰত থাকে। বাকী ২৫ শতাংশ ৰাজ্য চৰকাৰে নিজা সম্পদৰ পৰা বহন কৰিব লাগে। ১৯৮৭–৮৮ চনৰ বাবে ভাৰত চৰকাৰে অনুমোদন কৰি দিয়া ব্যয়ৰ সৰ্বোচ্চ সীমা হল ৬২·৫০ কোটি টকা। প্ৰান্তীয় ধনৰ ৭·২৫ কোটি টকা বাদ দি এই বছৰটোৰ বাবে পাবলগীয়া কেন্দ্ৰীয় সাহায্যৰ পৰিমাণ হব ৪১·৪৪ কোটি টকা। সেইদৰে, নিজা সম্পদৰ পৰা ৰাজ্য চৰকাৰৰ বৰঙণি হয়গৈ ১৩·৮১ কোটি টকা। বিত্তীয় সম্পদৰ নাটনিৰ কাৰণে অসমৰ নিচিনা এখন ৰাজ্যৰ বাবে প্ৰান্তীয় ধনৰ উপৰঞ্চি ২৫ শতংশ ব্যয় কৰাটোও কঠিন হৈ পৰে। আমাৰ মতে প্ৰান্তীয় ধনৰ ওপৰঞ্চ সমুদায় খৰচ কেন্দ্ৰীয় পৰিকল্পনা বহিৰ্ভূত অনুদান হিচাপে দিব লাগে। এই খিনিতে উল্লেখ কৰাও অপ্ৰাসঙ্গিক নহব যে ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপ-নৈবোৰৰ অববাহিকা অঞ্চলত হোৱা প্ৰবল বৰষুণ আৰু তাত জমা হোৱা পলসৰ বাবেই অসমত বানপানী হয়। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ কেইবাখনো উপনৈৰ উৎস ৰাজ্যৰ বাহিৰত। সেয়ে, বাৰে বাৰে হোৱা বানপানীৰ সমস্যাটো কাৰ্য্যকৰী কৰুণে সমাধান ক্ষমতা ৰাজ্য চৰকাৰৰ নাই। তদুপৰি, ব্ৰহ্মপুত্ৰৰ প্ৰলয়ংকাৰী বানপানীৰ দৰে এটা ৰাষ্ট্ৰীয় সমস্যা প্ৰতিৰোধ কৰিব পৰাকৈ প্ৰয়োজনীয় পৰিসৰৰ কোনো আঁচনি হাতত লবলৈ ৰাজ্য চৰকাৰৰ সম্পদৰ অভাৱ। সেয়ে, ন্যায়সঙ্গত ভাবে গোটেই ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ প্ৰকল্পটোৰ ব্যয় কেন্দ্ৰই ১০০ শতাংশ ঋণৰ ভিত্তিত নকৰি ১০০ শতাংশ অনুদানৰ ভিত্তিত বহন কৰিব লাগে। বৰ্তমানে চলি থকা ১০০ শতাংশ ঋণৰ ভিত্তিত পোৱা কেন্দ্ৰীয় সাহায্যই আমাৰ গধুৰ ঋণৰ বোজা আৰু গধুৰ কৰিছে।

মই আগতেই উল্লেখ কৰিছো যে বিক্ৰী কৰেই হল ৰাজহৰ এটা প্ৰধান উৎস। এই ক্ষেত্ৰত মই আন এটা দিশৰ কথাও উল্লেখ কৰিব খোজো। মাননীয় সদস্যসকলে জানে যে চেনী, বস্ত্ৰ আৰু ধপাতৰ দৰে প্ৰধান বস্তু কেইপদত বিক্ৰীকৰ লগোৱা নহয়। এই বস্তু কেইপদত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিক্ৰী-কৰৰ পৰিবৰ্তে অতিৰিক্ত আবকাৰী শুল্কহে লগোৱা হয়। ১৯৫৬ চনত ৰাষ্ট্ৰীয় উন্নয়ন পৰিষদত উপনিত হোৱা এক সিদ্ধান্তৰ ফলস্বৰূপে এই কৰ লগোৱাৰ ব্যৱস্থা কৰা হয়। ফলত চেনি, বস্ত্ৰ আৰু ধপাতৰ ওপৰত অতিৰিক্ত আবকাৰী শুল্ক লগাই কেন্দ্ৰীয় চৰকাৰে সংগ্ৰহ কৰা অতিৰিক্ত ধনৰ অংশ দিয়াৰ বিনিময়ত ওপৰোক্ত বস্তু কেইপদৰ ওপৰত বিক্ৰীকৰ লগোৱাৰ ক্ষমতা কাৰ্য্যকৰী কৰাৰ পৰা ৰাজ্য চৰকাৰ সমূহ বিৰত থাকিবলৈ সন্মত হয়। সেই অনুক্ৰমে অতিৰিক্ত আবকাৰী শুল্ক তেতিয়াৰ পৰা কেন্দ্ৰই লগাই আহিছে আৰু সংগ্ৰহো কৰিছে আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহে পাবলগীয়া অংশ বাদ দি সংগৃহীত আটাইখিনি ধন ৰাজ্যবোৰৰ মাজত ভগাই দিয়া হয়। নীতিগতভাবে ৰাজ্যবোৰে এই কেইপদ সামগ্ৰীৰ ওপৰত বিক্ৰীকৰ এতিয়াও লগাব পাৰে। কিন্তু আন্তঃ ৰাজ্যিক বেহাবেপাৰ বা বাণিজ্যত উক্ত বস্তু কেইপদক বিশেষ গুৰুত্ব থকা বস্তু বুলি ঘোষণা কৰা কেন্দ্ৰীয় বিক্ৰীকৰ আইন, ১৯৫৬ ৰ ব্যৱস্থা অনুযায়ী তেনে বিক্ৰীকৰৰ হাৰ ৪ শতাংশৰ অধিক হব নোৱাৰে। অৱশ্যে ইয়াৰ যি কোনো এপদ বস্তুৰ ওপৰত বিক্ৰীকৰ লগালে ৰাজ্যখনে অতিৰিক্ত আবকাৰী শুল্কৰ অংশ হেৰুৱাব।

যিহেতু ৰাজ্য চৰকাৰে প্ৰচুৰ সম্ভাৱনাপূৰ্ণ ৰাজহৰ এটি উৎস ত্যাগ কৰিবলৈ সন্মত হৈছে তাৰ বিনিময়ত বিক্ৰীকৰৰ সলনি অতিৰিক্ত আবকাৰী শুল্ক প্ৰৱৰ্ত্তন কৰাৰ ফলত ৰাজ্য চৰকাৰসমূহে যি পৰিমাণৰ টকা হেৰুৱালে সেই পৰিমাণৰ ধন দিয়াটো নিশ্চিত কৰিব লাগে। মুঠতে কেন্দ্ৰই এতিয়ালৈকে যি ধৰণে এই কাৰ্য্যসূচী ৰূপায়ণ কৰিছে সি ৰাজ্য চৰকাৰৰ আশানুৰূপ হোৱা নাই। ১৯৭০ চনত ৰাষ্ট্ৰীয় উন্নয়ন পৰিষদ বিষয়টো আলোচনা কৰা হৈছিল আৰু অন্যান্য বিষয়ৰ লগতে এই সিদ্ধান্তত উপনীত হোৱা গৈছিল যে দুই বা তিনি বছৰৰ ভিতৰত অতিৰিক্ত আবকাৰী শুল্কৰ ভাৰ (ইঞ্চিডেনচ্ অব এক্সাইজ ডিউটী) নিষ্কাষণ মূল্যৰ (ভেলু অব ক্লেইয়াৰেন্চ) ১০·৮ শতাংশলৈ বঢ়োৱা হব। কিন্তু এই আশ্বাস এতিয়াও পূৰণ কৰা হোৱা নাই। তদুপৰি ১০·৮ শতাংশৰ প্ৰাৰম্ভিক লক্ষ্যটো ১৯৭০ চনতে স্থিৰ কৰা হৈছিল। সম্প্ৰতি ইয়াক সংশোধন কৰাৰ প্ৰয়োজন হৈ পৰিছে। আনহাতে, এই কেইবছৰতে বস্ত্ৰৰ সংজ্ঞাও সলনি হৈছে আৰু বহুকেইপদ নতুন সামগ্ৰী ইয়াৰ আয়ত্তলৈ আহিছে। কিন্তু ৰাজ্য সমূহক এনে সামগ্ৰীৰ ওপৰত বিক্ৰীকৰ লগোৱাৰ পৰা বিৰত কৰা হৈছে যাৰ ফলত ৰাজ্যসমূহৰ ৰাজহৰ ওপৰত আঘাট পৰিছে।

২৩। অধ্যক্ষ মহোদয়, মই এতিয়া হিচাপ আৰু বাজেটৰ বিষয়ে কবলৈ বিচাৰিছো।

### ১৯৮৬—৮৭ চনৰ হিচাপ

১৯৮৬—৮৭ চনৰ সংশোধিত নিৰ্দ্ধাৰণত সামৰ্গ্ৰিক উদ্বৃত্তত ৪৯·৬৭ কোটি টকা ঘাটি দেখা গৈছিল যদিও বছৰটো প্ৰকৃততে ১৬৬·৫৩ কোটি টকা ঘাটিৰে সামৰণি পৰে। ১৯৮৬—৮৭ চনৰ আৰম্ভণী উদ্বৃত্তৰ ঘাটি ৩৮·৬২ কোটি টকাৰ পৰা ১০৩·৯৭ কোটি টকালৈ সলনি হোৱাটোৱেই সংশোধিত নিৰ্দ্ধাৰণ আৰু প্ৰকৃতৰ মাজৰ এই ব্যাপক ব্যৱধানৰ ঘাই কাৰণ। অসমৰ মহাগাণনিকৰ প্ৰতিবেদন অনুসৰি ১৯৮৬ চনৰ মাৰ্চ মাহৰ প্ৰকৃত সামৰ্গ্ৰিক উদ্বৃত্তৰ ওপৰত ভিত্তি কৰি ১৯৮৬—৮৭ চনৰ সংশোধিত নিৰ্দ্ধাৰণৰ শিতানত সেই বছৰৰ আৰম্ভণী উদ্বৃত্ত ৩৮·৬২ কোটি টকা ঘাটি ধৰা হৈছিল। অৱশ্যে, অসমৰ মহাগাণনিকে পিছত ১৯৮৬—৮৭ চনৰ এপ্ৰিলত আৰম্ভণী উদ্বৃত্ত ১০৩·৯৭ কোটি টকা ঘাটি হিচাপে দেখুৱায়।

১৯৮৬-৮৭ চনৰ সংশোধিত নিৰ্দ্ধাৰণতকৈ একত্ৰিত নিধিত সেইবছৰৰ প্ৰকৃত ৰাজহ আয় ৫৭·১৫ কোটি টকা বৃদ্ধি পায়। সংশোধিত হিচাপতকৈ ৰাজহ হিচাপত প্ৰকৃত ব্যয়ো ২১·২৪ কোটি টকা হ্ৰাস হয়। ইয়াৰ ফলত সংশোধিত নিৰ্দ্ধাৰণতকৈ প্ৰকৃত হিচাপত ৭৮·৩৯ কোটি টকাৰ এক উন্নত অৱস্থা পৰিলক্ষিত হৈ ৰাজহ হিচাপত ৬০·৫৯ কোটি টকাৰ ৰাহি হোৱা দেখা যায়।

অৱশ্যে, ৰাজহ হিচাপৰ বাহিৰৰ প্ৰকৃত লেন-দেন সংশোধিত নিৰ্দ্ধাৰণতকৈ মুঠতে ১২৯·৯০ কোটি টকাৰ অৱনতি দেখা যায়। সেয়ে ১৯৮৬—৮৭ চনৰ সংশোধিত নিৰ্দ্ধাৰণতকৈ বছৰটোত চলিত লেন-দেনত ৫১·৫১ কোটি টকাৰ অৱনতি ঘটে। ফলত ১৯৮৬—৮৭ চনৰ বছৰটো ধাইকৈ ৰাজহ বহিৰ্ভূত হিচাপৰ ঘাটি আৰু আৰম্ভণী উদ্বৃত্তৰ ঘাটিৰ হেতুকে ১৬৬·৫৩ কোটি টকাৰ ঘাটিৰে সামৰণি পৰে।

### ১৯৮৭—৮৮ চনৰ সংশোধিত হিচাপ

২৪। চলিত বছৰৰ বাজেট নিৰ্দ্ধাৰণতকৈ সংশোধিত নিৰ্দ্ধাৰণত একত্ৰিত নিধিৰ ভিতৰত ৰাজহ আয় আৰু মূলধন আয় যথাক্ৰমে ৫·৬৬ কোটি টকা আৰু ৯·৫০ কোটি টকা বৃদ্ধি পায় বুলি নিৰ্দ্ধাৰণ কৰা হৈছে।

চলিত বছৰৰ বাজেট নিৰ্দ্ধাৰণতকৈ সংশোধিত নিৰ্দ্ধাৰণৰ শিতানত ৰাজহ হিচাপৰ ব্যয় ধাইকৈ পৰিপূৰক মঞ্জুৰীৰ জৰিয়তে অতিৰিক্ত ধনৰ যোগান ধৰা, ৰাজ সাহায্য, ব্যয়ৰ বাবে ধনৰ বিনিয়োজন আৰু সুদ পৰিশোধ আৰু দৰমহাৰ ক্ষেত্ৰত বাধ্যতামূলক ব্যয় আদিৰ বাবেই ৬৯·৪৩ কোটি টকা বৃদ্ধি পাব বুলি নিৰ্দ্ধাৰণ কৰা হৈছে। ফলত, ৰাজহ হিচাপত প্ৰকৃত ঘাটি ৬৩·৭৭ কোটি টকালৈ বৃদ্ধি পাব বুলি নিৰ্দ্ধাৰণ কৰা হৈছে।

ৰাজহ হিচাপৰ বাহিৰৰ লেন-দেনৰ ক্ষেত্ৰত ৫১·০১ কোটি টকাৰ এক উন্নতি আশা কৰা হৈছে। ই যোৱা বছৰৰ ৰাজহ হিচাপৰ বাহিৰৰ ঘাটি আংশিকভাৱে পূৰণ কৰিব। অৱশ্যে ৰাজহ হিচাপৰ ঘাটি বৃদ্ধিৰ কথা ধৰিলে ১৯৮৭—৮৮ বছৰটোৰ চলিত হিচাপৰ সামগ্ৰিক লেন-দেনৰ ক্ষেত্ৰত প্ৰকৃত ঘাটি ১২·৭৬ কোটি টকা বৃদ্ধি পাব। মূল বাজেট নিৰ্দ্ধাৰণতকৈ চলিত বছৰৰ আৰম্ভণী উদ্বৃত্ত ১১৬·৮৭ কোটি টকাৰ ঘাটি বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত মুঠ ঘাটিৰ পৰিমাণ ১২৯·৬৩ কোটি টকা বৃদ্ধি হব। ইয়াৰ ফলস্বৰূপে আনুমানিক সামৰ্গ্ৰিক উদ্বৃত্ত ১৯৯·২৯ কোটি টকা ঘাটিত থাকিব।

### ১৯৮৮—৮৯ চনৰ বাজেট

২৫। ১৯৮৮—৮৯ চনৰ আগন্তুক বছৰৰ বাবে ৰাজহ আয় ধৰা হৈছে ১৩৪৪·১৮ কোটি টকা। ই চলিত বছৰৰ সংশোধিত নিৰ্দ্ধাৰণতকৈ ৮২·১০ কোটি টকাৰ উন্নতি সূচাইছে। ১৯৮৮—৮৯ চনৰ বাজেট নিৰ্দ্ধাৰণত ৰাজহ হিচাপৰ ব্যয় দেখুওৱা হৈছে [illegible] কোটি টকা। ই চলিত বছৰৰ

সংশোধিত নিৰ্ধাৰণতৈ ৭৩·৩৫ কোটি টকাৰ বৃদ্ধি দেখুৱাইছে। ৰাজহ হিচাপৰ ১৯৮৮—৮৯ চনৰ লেন-দেনৰ প্ৰকৃত ফলাফল হিচাপে ৫৮·১৯ কোটি টকাৰ ঘাটি নিৰ্ধাৰণ কৰা হৈছে। ই চলিত বছৰৰ সংশোধিত নিৰ্ধাৰণতকৈ ৰাজহ হিচাপত ৮·৭৪ কোটি টকাৰ উন্নতি সূচাইছে। অৱশ্যে, ৰাজহ হিচাপৰ বাহিৰৰ সামগ্ৰিক লেনদেনৰ ক্ষেত্ৰত ১৪·৪০ কোটি টকা ৰাহি হব বুলি নিৰ্ধাৰণ কৰা হৈছে। ফলস্বৰূপে বছৰটোৰ ভিতৰত লেনদেনৰ প্ৰকৃত ফলা-ফলে ৪৩·৭৯ কোটি টকাৰ ঘাটি দেখুৱাব বুলি নিৰ্ধাৰণ কৰা হৈছে। ১৯৯·২১ কোটি টকা ঘাটি আৰম্ভণী উদ্বৃত্ত হিচাপ কৰিলে ১৯৮৮—৮৯ চনৰ বছৰটো ২৪৩·০০ কোটি টকাৰ ঘাটিৰে সামৰণি পৰিব বুলি নিৰ্ধাৰণ কৰা হৈছে।

২৬। বৃহৎ পৰিমাণৰ বাজেট ঘাটি সচাঁকৈয়ে এক উদ্বেগৰ কাৰণ হৈ পৰিছে। কেইবছৰ মানৰ পৰা দেখা দিয়া পুঞ্জীভূত ঘাটিয়েই বৰ্তমান অৱস্থাৰ মূল কাৰণ। প্ৰচুৰ অৰ্থ বিনিয়োগত সৃষ্টি কৰা সা- সম্পত্তি সমূহৰ ৰক্ষণা বেক্ষণত আহি পৰা অপৰিহাৰ্য্য দায়বদ্ধতা অৱশ্য-কীয় সেৱা সমূহ অব্যাহত ৰখা আৰু উন্নয়ন মূলক কাম-কাজৰ সম্প্ৰসাৰণৰ কাৰণে অধিক ব্যয়ৰ প্ৰয়োজন হৈ পৰিছে। উল্লেখ কৰা নিষ্প্ৰয়োজন যে উন্নয়নৰ অনগ্ৰসৰতা দূৰ কৰাৰ উদ্দেশ্যে অৰ্থনৈতিক বিকাশ ক্ষিপ্ৰ কৰিবলৈ আৰু ৰাষ্ট্ৰীয় পৰ্য্যায়ত উপনীত হবলৈ আমাৰ সীমিত সম্পদ সত্ত্বেও ব্যয়ৰ মাত্ৰা বঢ়োৱাটো অপৰিহাৰ্য্য। কিন্তু ব্যয় বৃদ্ধিৰ ফলত ঋণৰ বোজাও বাঢ়ি যায়। সেয়ে ব্যয়ৰ দিশত অধিক সতৰ্কতা অৱলম্বন কৰাটোও অপৰিহাৰ্য্য হৈ পৰিছে। লগতে পৰিকল্পনাভূক্ত আঁচনি সমূহ চ-লাই থকা আৰু উন্নয়নমূখী কাম-কাজ সন্দৰ্ভত ব্যৱহাৰ কৰিবৰ বাবে দুৰ্লভ সম্পদ সমূহ সংৰক্ষণ কৰাৰ সৰ্বতোপ্ৰকাৰ প্ৰচেষ্টা চলোৱাৰো প্ৰয়োজন হৈছে। কেৱল সম্পদৰ দিশৰ পৰা চালে পৰিকল্পনা আৰু পৰিকল্পনা বহিৰ্ভূত ব্যয়ৰ মাজত কোনো প্ৰভেদ নাই। কিয়নো তৎকালীন বাজেট পৰিস্থিতিত উভয়ৰে প্ৰভাৱ একেই। তথাপি, অৰ্থনৈতিক উন্নয়নৰ গতি অব্যাহত ৰখাৰ বাবে ৰাজ্য চৰকাৰে কঠিন বিত্তীয় অৱস্থা সত্ত্বেও পৰিকল্পনা বহিৰ্ভূত ব্যয় নিয়ন্ত্ৰন আৰু হ্ৰাস কৰি পৰিকল্পনাবোৰ চলাই থকাৰ সিদ্ধান্ত লৈছে। কিন্তু পৰিকল্পনা বহিৰ্ভূত ব্যয় হ্ৰাস কৰাৰো এটা সীমা আছে। এই সীমা চেৰাই গলে বৰ্তমানৰ সেৱা আৰু সা-সম্পত্তি সমূহৰ ওপৰত গুৰুতৰ আঘাত পৰাৰ আশংকা আছে। সেয়ে সম্পদ সমূহৰ ক্ষতি হোৱাৰ সম্ভাৱনীয়তা দূৰ কৰণত আমি মনোনিবেশ কৰিব লাগিব আৰু এনে সম্পদ সমূহ যাতে অতি প্ৰয়োজনীয় কামতহে ব্যৱহাৰ হয় তাৰ বাবে আমি সচেষ্ট থাকিব লাগিব। উল্লেখযোগ্য যে সম্পদ আৰু ব্যয়ৰ তাৰতম্যহীনতাই আমাক অধিবিকৰ্ষলৈ (অভাৰড্ৰাফট) ধাবিত কৰে। অধিবিকৰ্ষৰ ক্ষেত্ৰত বৰ্তমানে থকা আৰ্থিক সীমাৰ লগতে অধিবিকৰ্ষৰ ধন পৰিশোধ কৰাৰ বাবে ধাৰ্য্য কৰা সময় সীমা ৰাজ্যসমূহৰ বাস্তৱিক চাহিদাৰ ভিত্তিত নিৰ্ধাৰণ কৰা হোৱা নাই আৰু ই ৰাজ্য সমূহে কৰিবলগীয়া লেনদেনৰ পৰিমাণৰ তুলনাত বহুত কম। মন কৰিবলগীয়া যে কেন্দ্ৰীয় চৰকাৰৰ ঘাটি বিত্তীয় ব্যৱস্থাৰ যি সুবিধা আছে ৰাজ্যসমূহৰ সেই সুবিধা নাই। সেয়ে অধিবিকৰ্ষৰ আৰ্থিক সীমা আৰু অধিবিকৰ্ষৰ ধন পৰিশোধৰ সময় সীমা এই দুয়োটা বিষয় পৰ্য্যালোচনা কৰি এই ক্ষেত্ৰত এক বহল দৃষ্টিভঙ্গী অৱলম্বন কৰিবলৈ আমি দাবী জনাই আছো। আমি আশা ৰাখিছো যে ভাৰত চৰকাৰে আমাৰ দাবীৰ ন্যায্যতা উপলব্ধি কৰিব আৰু জৰুৰী ভিত্তিত সেইমতে ব্যৱস্থা গ্ৰহণ কৰিব। আমি এইটোও আশা ৰাখিছো যে আমাৰ ৰাজ্যখনে সন্মুখীন হোৱা সমস্যা সমূহৰ গভী-ৰতা ভাৰত চৰকাৰে উপলব্ধি কৰিব আৰু অসমৰ প্ৰগতিৰ গতি যাতে মন্থৰ নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি সম্পদৰ বাবে কৰা আমাৰ দাবীৰ ক্ষেত্ৰত এক উদাৰ মনোভাৱ গ্ৰহণ কৰিব।

২৭। আৰু এসপ্তাহৰ পিছতেই আমি নতুন বিত্তীয় বছৰত ভৰি দিম। ৰাজ্যখনৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে বৰ্তমানে চলি থকা আৰু নতুন কাৰ্য্যসূচী সমূহ ৰূপায়ন কৰিবলৈ নতুন উৎসা-হেৰে আমি নতুন বিত্তীয় বছৰত প্ৰৱেশ কৰিম। আমাৰ সন্মুখত থকা কাম-কাজৰ ক্ষেত্ৰত সকলোৰে সহযোগিতা আমাৰ কাম্য।

অধ্যক্ষ মহোদয়, এই খিনিকে কৈ মই ১৯৮৮—৮৯ চনৰ বাজেট আৰু ১৯৮৮ চনৰ এপ্ৰিলৰ পৰা জুনলৈকে এই তিনি মাহৰ লেখা-অনুদান (ভোট-অন-একাউণ্ট) সন্মানিত সদনৰ অনুমোদনৰ বাবে আগবঢ়ালো।

## Presentation of the Budget Estimates for the year 1988-89.

### পৰিশিষ্ট

(হাজাৰ টকাৰ হিচাপত)

| প্ৰকৃত ১৯৮৬-৮৭ | বাজেট প্ৰাক্কলন ১৯৮৭-৮৮ | সংশোধিত প্ৰাক্কলন ১৯৮৭-৮৮ | শিতান সমূহ | বাজেট প্ৰাক্কলন ১৯৮৮-৮৯ |
|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ |
| (—)১০৩,৯৬,৮৩ | (—)৪৯,৬৬,৯২ | (—)১৬৬,৫৩,৪৯ | আৰম্ভণি হিচাপ | (—)১৯৯,২০,৮৯ |
| | | | **ক—প্ৰাপ্তি** | |
| ১২০৯,৯৫,৪৮ | ১২৫৬,৪২,৩৬ | ১২৬২,০৮,৬৮ | ৰাজহ প্ৰাপ্তি | ১৩৪৪,১৮,২৮ |
| ৪৮২,৪৪,২৯ | ১০২১,৯৯,২৮ | ১০৩১,৪৯,০১ | মূলধন প্ৰাপ্তি | ১১০৫,৯১,১৯ |
| — | ২,০০,০০ | ৪,৩০,৭০ | আকস্মিক নিধিৰ প্ৰাপ্তি | ১০,০০ |
| ৫৬৭,৯৪,৪২ | ৬৯০,২০,০০ | ৮১১,২০,০০ | ৰাজহুৱা হিচাপৰ অধীনৰ প্ৰাপ্তি | ৮১৭,২২,০০ |
| ২২৬০,৩৪,১৯ | ২৯৭০,৬১,৬৪ | ৩১০৯,০৮,৩৯ | মুঠ প্ৰাপ্তি | ৩২৬৭,৪১,৪৭ |
| ২১৫৬,৩৭,৩৬ | ২৯২০,৯৪,৭২ | ২৯৪২,৫৪,৯০ | সৰ্বমুঠ | ৩০৬৮;২০,৫৮ |

| ১ | ২ | ৩ | ৪ | ৫ |
|---|---|---|---|---|
| | | | **খ—ব্যয়** | |
| ১১৪৯,৩৬,২৩ | ১২৫৯,৫৯,০৮ | ১৩২৯,০২,১৬ | ৰাজহ শিতানত ব্যয় | ১৪০২,৩৭,৪৩ |
| ৫১৮,০৬,১৪ | ১০৫২,৮৪,৬২ | ১০৫৭,২৩,৬৩ | মূলধন ব্যয় | ১১২২,৯২,৬৬ |
| ৪২,৭১ | — | ১০,০০ | আকস্মিক নিধিৰ ব্যয় | — |
| ৬৫৫,০৫,৭৭ | ৬৭৮,০৯,০০ | ৭৫৫,৪০,০০ | ৰাজহৱা হিচাপত নিৰ্গত পৰিমাণ | ৭৮৫,৯০,৬৫ |
| ২৩২২,৯০,৮৫ | ২৯৯০,৫২,৭০ | ৩১৪১,৭৫,৭৯ | মুঠ ব্যয় | ৩৩১১,২০,৭৪ |
| (—)১৬৬,৫৩,৪৯ | (—)৬৯,৫৭,৯৮ | (—)১৯৯,২০,৮৯ | সামৰ্ৰাণ হিচাপ | (—)২৪৩,০০,১৬ |
| ২১৫৬,৩৭,৩৬ | ২৯২০,৯৪,৭২ | ২৯৪২,৫৪,৯০ | সৰ্বমুঠ | ৩০৬৮,২০,৫৮ |
| | | | **প্রকৃত ফলাফল** | |
| (+)৬০,৫৯,২৫ | (—)৩,১৬,৭২ | (—)৬৬,৯৩,৪৮ | ৰাজহ হিচাপ | (—)৫৮,১৯,১৫ |
| (+)১২৩,১৫,৯১ | (—)১৬,৭৪,৩৪ | (+)৩৪,২৬,০৮ | ৰাজহ হিচাপৰ বাহিৰত | (+)১৪,৩৯,৮৮ |
| (—)৬২,৫৬,৬৬ | (—)১৯,৯১,০৬ | (—)৩২,৬৭,৪০ | প্রকৃত ৰাহি (+)/ প্রকৃত ঘাটি (—) | (—)৪৩,৭৯,২৭ |

মাননীয় অধ্যক্ষ: ৫ নং কাৰ্য্যসূচী, মাননীয় মূখ্য মন্ত্ৰী ডাঙৰীয়া।

Shri Prafulla Kumar Mahanta, (Chief Minister).— I beg to present Vote on Accounts for 1988-89.

## DEBATES ON GOVERNOR'S ADDRESS

মাননীয় অধ্যক্ষ: এতিয়া ৬ নং কাৰ্য্যসূচী। মাননীয় সদস্য শ্ৰীঅমৃত লাল বসুমতাৰী।

শ্ৰীঅমৃত লাল বসুতাৰী: মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ৰ ভাষণৰ প্ৰৰিপ্ৰেক্ষিতত মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মা ডাঙৰীয়াই যি প্ৰস্তাৱ আগবঢ়াইছে সেই সন্দৰ্ভত মই কেইটামান সংযোজন বিচাৰিছো। মই আঠোটা সংযোজন বিচাৰিব খুজিছিলো পিচে সময় মোৰ ভাগত কম দিয়া কাৰণে মাত্ৰ দুই এটাহে উল্লেখ কৰিম। চুক্তিৰ সম্পৰ্কত ইতিমধ্যে বহুত আলোচনা হৈ গৈছে, সেই কাৰণে মই আৰু সেই বিষয়ত কব খোজা নাই। চুক্তিটো এটা চৰ্চ অব 'ডিচকৰ্ড' হৈ গৈছে। অসমীয়া সমাজত 'চৰ্চ অব ডিচকৰ্ড' আৰু টেনশ্বনহে হৈছে এই চুক্তি খন। বিশেষকৈ ট্ৰাইবেল সমাজৰ সমস্যা আৰু বহুল হৈছে। ৰাজ্যপালৰ ভাষণৰ মতে ১৯৮৬ চনৰ অক্টোবৰ মাহত উৎথাপন কৰা অসমৰ জাতীয় ভাষিক আৰু ন্যায়িক সংৰক্ষণৰ কথা কেন্দ্ৰীয় চৰকাৰে এতিয়াও বিবেচনা কৰি আছে। এই সংশোধনীৰ কথা কি ধৰণে দিয়ে আৰু কি ধৰণে প্ৰটেকচন বিচৰা হৈছে, কি ধৰণৰ সাংবিধানিক আৰু ন্যায়িক সংৰক্ষণ বিচৰা হৈছে, এই কথা সমূহ বিধান সভাত আলোচনা কৰা হোৱা নাই। ইয়াৰ ফলত এই বিলাক অসমৰ ৰাইজে জানিব পৰা নাই। এই পৰিপ্ৰেক্ষিতত আমাৰ আৰচুয়ে যি স্মাৰক পত্ৰ প্ৰদান কৰিছে আৰু তাত কি ধৰণৰ প্ৰস্তাৱ দাঙি ধৰিছে সেই বিলাকো আমাক জানিব দিব লাগে। স্মাৰক পত্ৰত কি ধৰণৰ সংৰক্ষণৰ ব্যৱস্থা কৰিব বিচৰা হৈছে আৰু ট্ৰাইবেল সমাজৰ কথা কি ধৰণে লোৱা হৈছে, সেইটোও জানিব দিব লাগে। কিয়নো এই বিলাকৰ কাৰণেই এটাটেনশ্বনৰ সৃষ্টি হৈছে আৰু সেই কাৰণেই মই স্পষ্টভাবে কব বিচাৰো যে এই বিলাক জানিব দিব লাগে। ট্ৰাইবেল সমাজৰ মাজত বিভিন্ন আন্দোলন চলি আছে। এইটোও চাব লাগিব। প্ৰথমতে উদয়াচলৰ দাবী আহিছিল। তাৰ উপৰিও আজি বেল ৰোকো আন্দোলন হৈছে। আকৌ ছাত্ৰ সমাজৰ এটা দলে ফিফটি ফিফটি দাবী কৰিছে। এই বিলাকৰ পৰিপ্ৰেক্ষিতত এই কথা বিলাক গুৰুতৰ ভাবে বিবেচনা কৰিব লাগিছিল কিন্তু আজি পৰ্য্যন্ত সেই দিশত কোনো চিন্তা কৰা নাই। ৰাজ্যপালৰ ভাষণতো ট্ৰাইবেল সমাজৰ সমস্যাৰ কোনো উল্লেখ কৰা নাই। এটা মাতো দিয়া নাই। ডঃ বাৰে নতুন কিতাপখনত কিছুমান 'ইচু পলিটিক্স অব টেনশ্বন' বুলি উল্লেখ কৰিছে। এইটোয়ে এটা চিচুটেমত পৰিণত হয়। ট্ৰাইবেল সমস্যাৰ বিষয় চিন্তা কৰা নাই কাৰণে মই চৰকাৰক অনুৰোধ জনাও যেন বিভিন্ন পাৰ্টিৰ ট্ৰাইবেল নেতা সকলৰ মাজত এটা তৰ্কাতৰ্কি কৰিলেই সমস্যাৰ সমাধান নহব। তাৰ সলনি যদি বিভিন্ন পাৰ্টিৰ লোকৰ দ্বাৰা এটা কমিটি গঠন কৰি দিয়া হয় এই বিষয়টো পৰ্য্যালোচনা কৰিবৰ কাৰণে তেতিয়াহলে ফল পোৱা যাব। আগতে ইন্টিগ্ৰেচন কাউন্সিল আছিল সেইটোকে পুনৰ বিভাইজ কৰিব লাগে। তাত বিভিন্ন জনগোষ্ঠীৰ ভাব কথা আলোচনা কৰিব পৰা হব। কেৱল পুলিচ প্ৰশাসনৰ দ্বাৰা সমস্যাৰ সমাধান কৰিব পৰা নাযাব। আন্দোলনো বন্ধ নহব। মানৱীয়তাৰ দৃষ্টিভঙ্গীৰে আলোচনা কৰিলে কথা বিলাক স্পষ্ট হৈ পৰিব আৰু তেতিয়াহে সমস্যাৰ সমাধান হব। নহলে পুনৰ আন্দোলনৰ সৃষ্টি হৈ থাকিব।

(ভইচ: ফিফটি ফিফটি)

এইটো ফিফটি ফিফটিৰ সমস্যা নহয়। আৰচুয়ে দিয়া স্মাৰক পত্ৰৰ বিৰানব্বৈ দাবীৰ ভিতৰত মাত্ৰ শেষৰ দুটাহে ফিফটি ফিফটি আৰু পলিটিকেল। ফিফটি ফিফটি হলে মন্ত্ৰী ডাঙৰীয়াও পৰিব। ট্ৰাইবেল সমাজৰ ভিতৰত বিশেষকৈ পুঞ্জিভূত বেদনা আছে। ডেকা সমাজৰ মাজত ক্ষোভৰ সৃষ্টি হৈছে।

চাৰ্কিৰৰ ক্ষেত্ৰত এতিয়াও বেক-লগ ফুলফিল হোৱা নাই। চৰকাৰে অৱশ্যে এই বেক-লগ বিলাক ফুলফিল কৰা হব বুলি কৈয়েই আছে কিন্তু কেতিয়া কৰা হব তাৰ সঠিক সময় এতিয়াও দিব পৰা নাই। ইতিমধ্যে নতুন নিযুক্তিৰ ক্ষেত্ৰতো নতুন বেক-লগ ওলাই থকা বুলি জনা গৈছে। স্কুল বিল্ডিং গ্ৰান্টৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰোতে জনজাতীয় এলেকাৰ বাবে বেচি স্কুলে সেই গ্ৰান্ট পাব বুলি কৈছিল। কিন্তু পাচত দেখিলো জনজাতীয় এলেকাত থকা স্কুলৰ গ্ৰান্ট পোৱা সংখ্যা বেচি নহয়। মই জনজাতীয় সংৰক্ষিত সমষ্টিৰ পৰা আহিছো। মোৰ সমষ্টিত মাত্ৰ ১৬ খন স্কুলে গ্ৰান্ট পাইছে। বাকী জনজাতিয় সমষ্টি বিলাকত কৰবাত ১২ খন আৰু কৰবাত ৯ খন পাইছে। ভৱিষ্যতে যাতে এনেকুৱা নহয় তাৰ কাৰণে মই চৰকাৰক অনুৰোধ জনাইছো। এনে গতিত চলি থাকিলে চৰকাৰে এই সমস্যা বিলাক কেতিয়াও সমাধান কৰিব নোৱাৰে। তাৰ পাচত কোচ ৰাজবংশী সকলৰ কথাটো মই কবলৈ বিচাৰিছো। তেওঁলোকেই বহু দিনৰ পৰাই ট্ৰাইবেল হিচাবে স্বীকৃতি পাবলৈ বিচাৰিছিল। ইতিমধ্যে তেওঁলোকে এই সম্পৰ্কত আলটিমেটামো দিছে। আগতে 'আছু' আৰু "সদৌ অসম গণ সংগ্ৰাম" পৰিষদে শ্লোগান দিছিল–Save Assam to day, Save India to-morrow কোচ ৰাজবংশী সকলেও আজি দোহাৰিছে Save Koch Rajbanshi to-day, Save Assam Tomorraw তেওঁলোকৰ ফালৰ পৰা কৈছে যে ট্ৰাইবেলৰ লগত বড়ো সমাজৰ লগত তেওঁলোক সম্পৰ্ক আছে আৰু তেওঁলোকে ই, এ, গেটৰ কথা কৈছে। ৰাজবংশী বড়ো সমাজৰ প্ৰথম হিন্দু গ্ৰুপৰ পৰা আহিছে। সেই ফালৰ পৰা তেওঁলোকে যুক্তি দেখুৱাইছে যে তেওঁলোকক ট্ৰাইবেল কৰিব পৰা যায়। মাজে মাজে যিকোনো ৰুলিং পাৰ্টি থকা ট্ৰাইবেল লীডাৰ বিলাকৰ বদ নাম কৰা হয় যে তেওঁলোকৰ আপত্তি থকাৰ কাৰণেহে ট্ৰাইবেল কৰা হোৱা নাই। চেয়াৰমেন মহোদয়, ট্ৰাইবেলৰ সংখ্যা বেচি হলে লাভ হবনে লোকচান হব সেইটো প্ৰশ্ন ইয়াত নাহে। ট্ৰাবেলৰ সংখ্যা বেচি হলে কেন্দ্ৰৰ পৰাও আমি সাহায্য বেচি পাম। আপোনালোকে নিশ্চয় গুৱাহাটীত কোচ ৰাজবংশীৰ সংগ্ৰাম পৰিষদৰ এখন গোহাৰী পাইছে। তেওঁলোকে অহা ১১ তাৰিখে গুৱাহাটীত এখন গণসমাবেশ পাতিব আৰু তেওঁলোকক এচ, টি কৰিবৰ কাৰণে চুড়ান্ত ভাবে দাবী জনাব। কোকৰাঝাৰ এবিয়াত তেওঁলোকে কৈছে যে এই খনেই তেওঁলোকৰ শেষ যুদ্ধ। গতিকে এইটো কিমান চিৰিয়াচ আপোনালোকে চাব লাগে। মাজে মাজে বিভিন্ন চেকশ্বনৰ লোকে যেনে আহোম আৰু চাহবাগানৰ লোক সকলেও ট্ৰাইবেল হব খুজিছে। এই বিলাক কৰিব পাৰিলে বেয়া নহয়। আজি অসমৰ মুখ্য মন্ত্ৰীয়ে যি বাজেট বকৃতা ডাঙি ধৰিছে তাত পাহাৰ অঞ্চলৰ বাইজ বেচি থকাৰ কাৰণে তাত বেচি টকাও বণ্টন কৰা দেখা গৈছে। গতিকে আমাৰ ভৈয়াম অঞ্চলতো যদি ট্ৰাইবেল লোকৰ সংখ্যা বেচি হয় তেতিয়াহলে গ্ৰান্টও বেচি পাব। সমবায়ৰ ক্ষেত্ৰত মই দুটা-এটা কথা কব বিচাৰিছো যে এই সমবায় বিভাগটো একৰকম বিফল হোৱাৰ নিচিনা হৈছে। সমবায় বিভাগৰ জৰীয়তে কেবল কাগজে-পত্ৰে গ্ৰান্ট দিয়া হয়, কিন্তু সমবায়ৰ জৰিয়তে কোনো উন্নতি হোৱা নাই আৰু গাঁও পঞ্চায়ত সমূহৰ কোনো উন্নতি হোৱা নাই। আগতে চৰকাৰে প্ৰচেষ্টা চলাইছিল যে ছাত্ৰ-সমাজ, চাহ-বাগিছা আদি লোকৰ মাজত এই সমবায়ৰ কাম-কাজ ব্যাপক কৰি তুলিবলৈ প্ৰচাৰ কৰা হৈছিল কিন্তু এতিয়াও সেই সমবায় সমিতি বিলাক খোলা হোৱা নাই। এই সমবায় সমিতি বিলাকৰ জৰীয়তে ৰাজ্যখনৰ অৰ্থ-নৈতিক দিশটো উন্নত কৰি তুলিব পাৰি। আমাৰ মাননীয় সদস্য জয়নাথ শৰ্মা ডাঙৰীয়াই সমবায় সমিতি খোলাৰ কাৰণে বহুতো মাটি-বাৰী লৈছে যদিও ৰেজিষ্টাৰ হোৱা নাই। তাৰ পাচত মই চৰ উন্নয়ন পৰিকল্পনাৰ কথাও কব বিচাৰিছো। চৰ উন্নয়ন পৰিকল্পনাৰ আঁচনি চৰকাৰে লৈছে যদিও ৰাজ্যপালৰ ভাষণত মাত্ৰ তিনিটা লাইনতে শেষ কৰিছে। চৰৰ সমস্যা সম্পৰ্কে আমি বহুতো আলোচনা বিলোচনা কৰিছো। চৰত কিমান মানুহ আছে আৰু মাটি আছে আৰু কিমান মাটিত কাম হৈছে এই গোটেই বিলাকৰ এটা চাৰ্ভে হব লাগে। চৰকাৰে চাৰ্ভে কৰিব বুলি কৈছিল কিন্তু আজিলৈকে চৰ উন্নয়নৰ কাৰণে কোনো ব্যৱস্থা দেখা নাপালো। চৰ চৰু হৈয়েই থাকিল। অকল চৰকাৰে এটাই কাম কৰিলে সেইটো হল চৰত থকা মানুহ বিলাকক উচ্ছেদ কৰা। কিন্তু উচ্ছেদ কৰাৰ পাচত সেই মাটি বিলাক কি কামত লগাব তাৰ কোনো পৰিকল্পনা নাই। এই খিনিকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

( Mr. Speaker left the Chair and Shri Deba Kumar Bora occupied the Chair on Chairman )

শ্রীগনেশ কুটুম :- মাননীয় চেয়াৰমেন মহোদয়, মাননীয় সদস্য জয়নাথ শৰ্মা ডাঙৰীয়াই মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত যি ধন্যবাদ সূচক প্ৰস্তাৱ উত্থাপন কৰিছে সেই প্ৰস্তাৱ-টোৰ প্ৰতি সমৰ্থন জনাই মোৰ বক্তব্য ৰাখিবৰ কাৰণে থিয় হৈছো। চেয়াৰমেন ডাঙৰীয়া যোৱা ৪০ বছৰ আগতে আমাৰ ভাৰতবৰ্ষত আমাৰ ভাৰতীয় জনগণৰ ৰাষ্ট্ৰীয় জনমত লৈ আমাৰ সংবিধান গ্ৰহণ কৰা হৈছিল যে এই দেশ খন এখন ধৰ্ম নিৰপেক্ষ সমাজবাদী গণতন্ত্ৰ হিচাবে সজাই তোলা। এই ব্যৱস্থাত কিছু কিছু সংগঠনৰ কৰ্মীয়ে সেই দিশত চেষ্টা কৰি আহিছিল আৰু পৰিচালিত হৈছিল। গণতন্ত্ৰ ৰাষ্ট্ৰৰ মূল ভেটি হৈছে ৰাষ্ট্ৰৰ পৰিচালনা। কিন্তু যোৱা ১৭ মাৰ্চত আমাৰ বিধান সভাৰ কাষত কংগ্ৰেছ আইৰ কৰ্মী সকলে যিটো আদৰ্শ প্ৰদৰ্শন কৰিলে সেই প্ৰদৰ্শনে গণতন্ত্ৰক হত্যা কৰাৰ এক ভাৱনাকিহে দিলে। তেওঁলোকে দাবী কৰিলে অসমত ৰাষ্ট্ৰপতিৰ শাসন প্ৰৱৰ্ত্তন কৰিব লাগে। তাৰ মানে গণতন্ত্ৰ হত্যা কৰাৰ এক আন্দোলন তেওঁলোকে ৰাজহুৱা ভাবপ্ৰদৰ্শন কৰিলে। সেইদিনা আমাৰ চৰকাৰে যি ব্যৱস্থা কৰিলে, এই গণতন্ত্ৰ হত্যা কৰা লোক সকলক গণতন্ত্ৰক ভাল পোৱা ৰাইজে ইচাত-বিচাত্ কৰিলে। কিন্তু মই ভাবো এনে গণতন্ত্ৰক হত্যা কৰা লোক সকলক ফাচি দিব লাগিছিল। গণতন্ত্ৰক হত্যা কৰা লোক সকলক হত্যা কৰা উচিত।

শ্ৰীঅমৃত লাল বসুমতাৰী : গণতন্ত্ৰক ফাচি দিয়াৰ নিয়ম নাই।

শ্ৰীগনেশ কুটুম :- মই আজি সদনত যি সকলৰ চুলি বগা অৰ্থাৎ বয়সত বুঢ়া তেখেত সকলক উদ্দেশ্য কৰি কব খোজো যে তেওঁলোকৰ মাজৰেই এজন বয়োবৃদ্ধ সদস্যই ৰাজ্যপালৰ ভাষণত ইংৰাজী ভাষাত অংশ গ্ৰহন কৰি কেৱল আমাক গালি পাৰিবৰ কাৰণেহে অসমীয়া ভাষা ব্যৱহাৰ কৰিছিল যে 'বুঢ়াৰ কথা নশুনা ডেকা, টানত পৰি কিয় কেকা'। মই কব খুজিছো "ফল পকিলে মিঠা, মানুহ পকিলে তিতা"। আজি প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীক পৃথিবীৰ ভিতৰতে চুক্তি কৰাত ওস্তাদ বুলি কোৱা হৈছে। তাৰ আগতে ৰাজ্যখনত অবৈধ চৰকাৰ থাকোতে যি মুখ্যমন্ত্ৰী আছিল হিতেশ্বৰ শইকীয়া তেওঁ আকৌ ফাউণ্ডেচন ষ্টোন লে কৰাত ওস্তাদ আছিল। আজি সেইদৰে বিধান সভাত বিৰোধী পক্ষৰ সদস্য সকলেও কেন্দ্ৰীয় চৰকাৰৰ স্বাৰ্থৰ হকে চকীদাৰী কৰাত ওস্তাদ। তেখেত সকলে আজি অসমৰ ৰাজহ বৃদ্ধি কৰাৰ ক্ষেত্ৰত অসমৰ তেলৰ ৰয়েলিটি বৃদ্ধি কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰক চাপ দি কৰাৰ কাৰণে মনযোগ দিয়া দূৰৰ কথা তেওঁলোকে কেৱল কেন্দ্ৰীয় চৰকাৰৰ পৰা কিমান টকা আহিছে আৰু অসম চৰকাৰে সেই টকা কেনেকৈ খৰচ কৰিছে ইত্যাদি বিলাক কামতহে বেচিকৈ মনযোগ দিয়া দেখা যায়। ৰাজ্য চৰকাৰে কৰবাত কম টকা আৰু কৰবাত বেচি টকা খৰচ কৰিছে সেই বিলাকলৈহে তেওঁলোকৰ চকু অথচ যোৱা কেইটা বছৰত প্ৰাকৃতিক দুৰ্যোগত অসমৰ ৰাইজ অশেষ কষ্ট ভোগ কৰা আৰু জুৰুলা হোৱাৰ পাচতো সেই কথালৈ কৰ্ণপাত নিদি কেৱল কেন্দ্ৰীয় চৰকাৰৰ পৰা অহা টকা-পইচাখিনি ক'ত খৰচ কৰিছে, কত খৰচ কৰা নাই তালৈহে চকু। চকু ৰাখে দিল্লীৰ পৰা কি নিৰ্দ্দেশ আহে। চেয়াৰমেন মহোদয়, যোৱা ৪০ বছৰ আগৰে পৰা সময়ে সময়ে কিছুমান দৃশ্য দেখিবলৈ পোৱা যায়। ৰাজ্য খনত কংগ্ৰেছ আই শাসনত থকা সময়ৰ পৰা কিছুমান ৰাজনৈতিক দল ভূমিষ্ঠ হয়। আৰু কিছুমান ৰাজনৈতিক দল অবৈধ ভাৱে ভূমিষ্ঠ হল। অসমত কংগ্ৰেছ আই চৰকাৰ চলি থকা সময়তে ১৯৬৮ চনত অসমৰ জনজাতীয় লোক সকলৰ স্বাৰ্থত পি, টি, চি ৰ জন্ম হল। সেইদৰে তাৰ পৰা আকৌ জন্ম হল জজা সন্তান হোৱাৰ নিচিনাকৈ এম, ইউ, এল, এফ ৰ। এ, জি, পি ৰ মাত্ৰ আঢ়ৈ বছৰ কালহে উকলি গৈছে। কিন্তু এই ৰাজনৈতিক দল সমূহ নিজৰ সমস্যা সমাধানৰ কাৰণে ৩৮ বছৰ কালৰ শোষণৰ পাচতহে জন্ম হৈছে। গতিকে আজি এ, জি, পি ক এই বিলাক কথাত সাঙুৰিলে অন্যায় কৰা হব। এই ৰাজনৈতিক দল সমূহেই বনাঞ্চলত থকাৰ ওচৰ্তান দিছে। কিন্তু এই বনাঞ্চল কাৰ হাতত আছে? এই বনাঞ্চল ১৯৪৮ চনৰ নেচনেল কাউন্সিল এক্ট মতে ভাৰত চৰকাৰৰ হাতত আছে। জনজাতীয় সকলক ওচৰ্তান দি এই সমস্যা বিলাক জীয়াই ৰাখিব বিচাৰিছে। ওচৰ্তান দি এই সমস্যা বিলাক সমাধান কৰিব নোৱাৰে। এই বিলাক কাৰণত তেওঁলোকে অসমত নহয় দিল্লীত গৈ ধৰ্ণা দিয়ক। অসম চৰকাৰে গহপুৰ আৰু দৈয়াং ৰিজাৰ্ভ মুকলি কৰিবলৈ ব্যৱস্থা কৰিছে। কিন্তু জনজাতীয় নেতা সকলে এই ক্ষেত্ৰত মনে মনে আছে। তাত এখন কমিটিও গঠন কৰি দিয়া হৈছে আৰু কাম আৰম্ভ প্ৰায় কৰিছেই। এই বিষয়ে জনজাতীয় ভাই সকলক কিয় নজনায়।

**Shri Binai Khungur Basumatari.**—Sir, for his information, it was started by the Janata Government. At that time he was in the Congress. Let him tell the truth.

শ্ৰীগনেশ কুটুম : তেখেত সকলৰ কথা আমি ধৈৰ্য্য ধৰিব শুনো। মইয়ো তেখেত সকলক অনুৰোধ জনাইছো মোৰ কথাখিনিও ধৈৰ্য্য ধৰি শুনক। এই অধৈৰ্য্য হোৱাৰ কাৰণেই জনজাতীয় ভাই সকলক তেওঁলোকে কুপথে পৰিচালিত কৰি জঙ্ঘলৰ ফালে ঠেলি নিছে। আৰু দিশপুৰত আহি তেওঁলোকে ৰসগোল্ল খাইছে। আমাৰ মানুহৰ তিনিটা শ্ৰেণী আছে।— উত্তম, মধ্যম আৰু অধম। উত্তম জনে সদায় ভাল দেখে, মধ্যম জনে ভাল-বেয়া দুয়োটাই দেখে আৰু অধম জনে কেৱল বেয়াটোহে দেখে। আমি ভাল কৰিলেও বেয়াটোহে দেখে।

মাননীয় সভাপতি মহোদয়, অসমৰ জনজাতীয় মূল সমস্যা হলভূমি। ভূমি সমস্যা সমাধান জঙ্ঘলত নহয় বা দিশপুৰতো নহয়। এই ভূমি সমস্যা বনাঞ্চলত বসবাস কৰা লোক সকলৰ সদায় আছে। তাক সমাধান কৰিব লাগে। এতিয়া সকলো বিৰোধী পক্ষ আৰু আমাৰ শাসক দলৰ লগহৈএকোটা সুৰতে অসম চৰকাৰৰ ফালৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দিল্লীলৈ গৈ আলোচনা কৰিব নোৱাৰে কিয় ?

এতিয়া আমাৰ চৰকাৰে কি আঁচনি লৈছে এই সম্পৰ্কে আমাৰ মাননীয় সদস্য সকলে বহুতো ভাল ভাল কথা কৈছে। মই আৰু কথা নকওঁ। ইতিমধ্যে জনজাতীয় সম্পৰ্কে বহুত আলোচনা হৈ গল। যোৱাকালি বিশেষ গুৰুত্বসহকাৰে জনজাতীয় সম্পৰ্কে মাননীয় সদস্য শ্ৰীভৰত নৰহ ডাঙৰীয়াই কৈছে। আমাৰ চৰকাৰে যিটো প্ৰতিশ্ৰুতি দিয়ে তাক কাৰ্য্যত পৰিণত কৰে। গৃহ মন্ত্ৰীয়ে ঘোষণা কৰিছিল যে ৫00 জন জনজাতীয় লোকক লোৱা হওঁক কিন্তু ইতিমধ্যে ১000 জনৰ অধিক লোক লোৱা হল। কিন্তু ইয়াৰ কাৰণে ধন্যবাদ কোনোৱে নিদিলে।

আমাৰ মাননীয় সদস্য সকলে ট'ৰিজিমৰ ওপৰত সমালোচনা কৰিছিল। তাৰ উত্তৰত গৃহমন্ত্ৰীয়ে পৰ্য্যটন বিভাগটো যে যথেষ্ট উন্নতি কৰিছে সেই কথা কৈছে। এতিয়া টুৰিজিম কৰপৰেচন হৈছে। পৃথিবীৰ বিভিন্ন আটক ধুনীয়া ঠাইবোৰলৈ যেনেকৈ পৰ্য্যটক সকল যায় ঠিক সেই ধৰণে অসমতো হব। এইটো অসমৰ চৰকাৰৰ এটা বলিষ্ঠ সিদ্ধান্ত বুলি মই কব পাৰো।

মোক সভাপতি মহোদয়ে কবলৈ নিদিব বুলি ভাবিছিলো। হঠাতে কবলৈ দিয়াৰ কাৰণে মই ভাল পাইছো। সদো শেষত মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মা ডাঙৰীয়াই যি ধন্যবাদ সূচক প্ৰস্তাৱ আনিছে তাৰ প্ৰতি মই সমৰ্থন জনাই মই মোৰ বক্তব্য সামৰণি মাৰিছো।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ :— মাননীয় সভাপতি মহোদয় আৰু মাননীয় সদস্য সকল, মই বেছি কথা নকওঁ। আমাৰ বন্ধু সদস্য সকলে ইতিমধ্যে সকলো কথা কৈছে। মই কেৱল মোৰ দুটামান কথা আছে সেইখিনি কৈ মোৰ বক্তব্য সামৰণি মাৰিম। এটা হল পি, ডব্লিউ, ডি এই বিভাগটো আমাৰ বিশেষকৈ ডিব্ৰুগড়ৰ কথা কৈছো। যোৱাকালি মাননীয় সদস্য শ্ৰীকিৰণ গগৈ ডাঙৰীয়াই প্ৰশ্ন কৰিছিল চেচাঁ দলংখনত কিমান টকা খৰচ হল আৰু কিমান টকা লাগিব, বাকী থকা কাম কেতিয়া হব। মই কব খোজো আমাৰ ডিব্ৰুগড়ত পৌৰনিগম আছে, পৌৰনিগমৰ ৰাস্তা-ঘাট আছে। সেই বিলাকৰ খা-খবৰ গড়কাপ্তানী বিভাগে কৰেনে ? যদি নকৰে কোনে কৰিব?

মই অলপ স্বাস্থ্য বিভাগৰ কথা কম। এই বিষয়ে মাননীয় সদস্য শ্ৰীকিৰণ গগৈ ডাঙৰীয়াই কৈছিল অসম মেডিকেল কলেজৰ কথা। অসম মেডিকেল কলেজত যি বিলাক বিভাগ আছে সেই বিলাকৰ কি অসুবিধা হৈছে তাক তেখেতে কৈছে। এতিয়া স্বাস্থ্য মন্ত্ৰী মহোদয় নাই, কিন্তু মুখ্যমন্ত্ৰী মহোদয় আছে। তেখেতৰ জৰিয়তে স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ক মই এই কথা জনাব খোজো অসম মেডিকেল

কলেজখন অসমৰ ভিতৰতে নহয়, সমগ্ৰ ভাৰতবৰ্ষতে লেখত লবলগীয়া আছিল। সেই সুনাম নাইকীয়া হৈ গল। তাৰ খা-খবৰ কৰিব লাগে। আগৰ যি অৱস্থা আছিল সেইটো ঘূৰাই অনাৰ ব্যৱস্থা লব লাগে।

মাননীয় সদস্য সকলে আই কংগ্ৰেছক দোষাৰোপ কৰি ইয়াত প্ৰেচিডেণ্ট ৰুল হব বুলি যোৱা ১৭ তাৰিখে প্ৰচলন কৰিছে। কিন্তু বাস্তৱতে সেইটো হোৱা নাছিল। বাহিৰৰ মানুহে কংগ্ৰেছৰ মানুহক মাৰ-ধৰ কৰিছিল।

মই মাননীয় সদস্য শ্ৰীগোলোক ৰাজবংশী ডাঙৰীয়াই যি প্ৰস্তাৱ আনিছে তাৰ প্ৰতি সমৰ্থন জনাই মই মোৰ বক্তব্য সামৰিছো।

শ্ৰীমইদুল ইছলাম বৰা ঃ মাননীয় সভাপতি মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মা ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদ সূচক প্ৰস্তাৱ আনিছে তাক মই পূৰ্ণ সমৰ্থন কৰিছো। সন্তোষৰ কথা যে বৰ্তমান চৰকাৰে দুই বছৰৰ ভিতৰতে আশা কৰিব পৰা ধৰণে কাম কৰিছে। এইটো শুভ লক্ষণ। কিন্তু বাজেট অধিবেশনত এই কথা বিৰোধী পক্ষই নানা ধৰণে মন্তব্য কৰিছে, সেইটো শুভ লক্ষণ নহয়। বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে পৰামৰ্শ দিয়াটো ভাল কথা। বৰ্তমান যি চৰকাৰ আছিছে, এইখন অসমৰ ৰাইজৰ চৰকাৰ। অসমৰ ৰাইজে আমাৰ চৰকাৰ বুলি কৈছে। কিন্তু আগতে আমাৰ চৰকাৰ, আমাৰ বিধায়ক বুলি অসমৰ ৰাইজে কোৱা নাছিল। আজি অসমত এটা পৰিবৰ্তন আনিছে। এই পৰিবৰ্তন সময় চোৱাত বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে যি বিলাক মন্তব্য কৰিছে আমি সচাঁকৈয়ে দুখ পাইছো। ৰাইজৰ মঙ্গলাৰ্থে আমি নতুন চৰকাৰ তৈয়াৰ কৰি ৰাইজৰ কাম কৰিবৰ কাৰণে নানা আঁচনি হাতত লৈ আগবাঢ়ি আহিছো। তাৰোপৰি আমাৰ হাতত বিদেশী সমস্যাটো আছে। অসম চুক্তিৰ সন্দৰ্ভত বিৰোধী পক্ষই প্ৰশ্ন কৰিছে সেইটো কেনেকৈ সম্ভৱ হব। বিৰোধী পক্ষই গৈ কেন্দ্ৰীয় চৰকাৰক এই ক্ষেত্ৰত বাধা প্ৰদান কৰিছে। ছাত্ৰ সংস্থাক উচতাই দিয়া হৈছে। এই চৰকাৰখন ছাত্ৰ সংস্থাৰ নেতৃত্বত হৈছে। কিন্তু অসমৰ ৰাইজ, অসমৰ ছাত্ৰ সংস্থাই যেতিয়া আন্দোলনৰ নেতৃত্ব কৰিছিল, তেতিয়া যি চৰকাৰ আছিল সেই সময়ত বেয়া নেতৃত্ব দি দুৰ্নীতি কৰিছিল। আমি সকলো ফালৰ পৰা সজাগ থাকিব লাগিব আৰু দুৰ্নীতিক কেতিয়াও প্ৰশ্ৰয় দিব নেলাগিব। এই কথা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে। তেনে ক্ষেত্ৰত অসম চুক্তিৰ বিষয়ে কোৱা হৈছে যে চন্দ্ৰচুৰ কমিটি দেশমুখ কমিটি আহিলে সুবিধা হব। ভূমকাৰ ঘটনাৰ তৎপৰতাৰ পিচতো সদনত যি হুলস্থুল হল, তাৰ কাৰণে আমি আঘাট পাইছো। এনে ধৰণৰ কথাই দেশখনত বাধাৰ সৃষ্টি কৰিব নোৱাৰিব। এইটো স্পষ্ট কথা। আইন শৃংখলাৰ কথা কোৱা হৈছে। আমাৰ গৃহ মন্ত্ৰী মহোদয়ে তৎপৰতাৰে ভূমকাৰ ঘটনাৰ অনুসন্ধান কৰিছে আৰু ব্যৱস্থাও লৈছে। তাৰ পিচতো সদনত হুলস্থূল কৰাটো লাজৰ কথা। আপোনালোক বয়োবৃদ্ধ মানুহ। আমি আপোনালোকিতকৈ বহুত সৰু। আপোনালোকে আমাক শিকাব আৰু আমিও আপোনালোকৰ পৰা শিকিব বিচাৰিছো। আপোনালোকে বহুত বছৰ ধৰি দেশখন শাসন কৰিলে। আপোনালোকে কি নেতৃত্ব দিছিল? পূৰ্বৰ চৰকাৰৰ দিনত যিবিলাক নাৰী ধৰ্ষণ হৈছিল তাৰ কোনো বিচাৰ নহল। কিন্তু আমাৰ বৰ্তমান চৰকাৰে সেইবিলাকৰ বিচাৰ লৈছে। কিছুদিন আগতে মাননীয় সদস্য শ্ৰীদীলিপ শইকীয়া সনোৱাল আৰু মাননীয় সদস্যা শ্ৰীমতী জ্যোৎস্না সোনোৱালে এই সংক্ৰান্তত সদনত অবগত কৰাইছিল। মিজোৰ ছোৱালী দুজনীৰ ঘটনাক লৈ এতিয়া চৰকাৰক ক্লেম দিব বিচাৰিছে। এই বিষয়ে চৰকাৰে একো কৰা নাই বুলি কৈছে। কিন্তু গৃহ মন্ত্ৰী মহোদয়ে এই বিষয়ে এটা ষ্টেটমেণ্ট দিছে। আনফালে ভূমকাৰ ঘটনাক লৈও ক্লেম দিব বিচৰা হৈছে। এনেকুৱা ধৰণৰ বাৰ্তাৰ পঢ়িলে আপোনালোকৰে মহয় আমা বো বেয়া লাগে। আমাৰ ৰাজহ মন্ত্ৰী মহোদয়ে তালৈ গৈছিল। তালৈকে আপোনালোকেও যাব লাগিছিল। গৃহ মন্ত্ৰী ডাঙৰীয়াৰ সময়োপযোগী তৎপৰতাৰ বাবে মই বিধায়ক হিচাবে তেখেতক ধন্যবাদ আগবঢ়াইছো। আমাৰ ইয়াত সাম্প্ৰদায়িক সংঘৰ্ষ বৰ্তমান হোৱা নাই। এইটো সুখৰ কথা যে আমি শান্তিত বসবাস কৰি আছো। কিন্তু ভূমকাৰ ঘটনাক লৈ সাম্প্ৰদায়িক সংঘৰ্ষ হব বুলি উচতাই দিয়া হৈছিল। চৰকাৰে ব্যৱস্থা লোৱাৰ পিচত সেইটো গাপ মাৰিলে। এইটো ৰাজনীত কৰিব লোৱা হৈছিল। ৰাজনৈতিক নেতা সকলে টকা পইচা দি ঘটনা কৰাইছিল বুলি কোৱা হৈছে। মাননীয় মুখ্য

মন্ত্ৰী আৰু গৃহ মন্ত্ৰী মহোদয়ক এই বিলাক সমস্যাই বিপদত পেলাব পাৰে। বাজেট অধিবেশনলৈ আহি বক্তৃতাৰ ফুলজাৰি মৰা কথাটো আমি মানি লব পাৰো। কিন্তু গৃহ মন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰি কাম কৰিলে ভাল হয়।

বৰ্তমান আমাৰ মাননীয় জেষ্ঠ সদস্য শ্ৰীশৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়া নাই। এক সময়ত পি, ইউ, মোভমেণ্ট হৈছিল। অসম শিক্ষক সন্থাৰ দাবী সমৰ্থনত প্ৰাক বিশ্ব বিদ্যালয় ছাত্ৰ সকলে আন্দোলন কৰিছিল। কিন্তু ছাত্ৰ সকলক ধৰি বান্ধি আনি কেম্প পাতি ৰকা হ'লা খবৰাই কিছুমান ছাত্ৰক পৰীক্ষাত বহিবলৈ বাধ্য কৰাইছিল। কিছুমান ছাত্ৰ লিডাৰক মাৰ পিত কৰি পৰীক্ষা দিবলৈ নিদিয়ে শুদাধিছিল। সেই সময়ত এইবিলাক কৰা হৈছিল।

নাজিৰা নিৰ্বাচনৰ কথাটো আপোনালোকে নিশ্চই জানে। তাত কংগ্ৰেছ আইয়ে কি কৰিছিল সেই কথা আপোনালোকৰ সহজে অনুমেয়। নাজিৰা ইলেক্‌চনত কেন্দ্ৰীয় চৰকাৰৰ গৃহ মন্ত্ৰী মহোদয়ে আহি আমাৰ গৃহ মন্ত্ৰী মহোদয়ক যি বিলাক অনুৰোধ কৰিছিল তাত আমি লাজ পাইছো। টকাৰ মোনা লৈ চাহ বাগান সোমাব নালাগিছিল। কেনডিডেটৰ ঘৈনীয়েকে পইচা বিলাই থাকোতে ধৰা পৰিছিল। লগত এজন পুলিচ বিষয়াও আছিল। ভেওঁ কৈছিল মই চাকৰিক কিয়াৰ নকৰো। সেই জন আগৰ গৃহ মন্ত্ৰীয়ে দিয়া চাকৰিয়াল আছিল। চৰকাৰী চাকৰিয়ালৰ মনোবৃত্তি কোনে গঢ় দিছে? সেইটো পুলিচৰ ব্যৱহাৰ হৈছে নেকি? কিন্তু আমাৰ চৰকাৰৰ দিনত পুলিচৰ মনোবৃত্তি পৰিবৰ্ত্তন হৈছে।

আমাৰ সকলোৰেই চাফাৰাৰ। মন্ত্ৰী সকলো চাফাৰাৰ। মই এই বিলাক কথা কৈ দীঘলীয়া কৰিব বিচৰা নাই।

(বাধা প্ৰদান)

মাননীয় সভাপতি মহোদয়, শ্ৰীহেমেন দাস ডাঙৰীয়াই জানে যে জৰুৰী অৱস্থাৰ সময়ত আমিয়েই সকলোতকৈ কষ্ট ভোগ কৰিবলগীয়া হৈছিলো।

যিনহওঁক মই এতিয়া গড়কপ্তানী বিভাগৰ কথালৈ আহিছো। মাননীয় ৰাজ্যপালৰ ভাষণত যিখিনি কথা দিছে সেই খিনি ঠিকেই দিছে। মই ইয়াৰ লগতে মাত্ৰ দুটা কথা যোগ দিব খুজিছো। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী শ্ৰীঅতুল বৰা ডাঙৰীয়াই এইটো কথা নিশ্চয় জানে যে স্বাস্থ্য বিভাগক যি বিলাক টকা দিয়া হল সেই বিলাকৰ প্ৰশংসনীয় মঞ্জুৰীও হৈ গৈছে। কিন্তু কাম কাজ যি ধৰণে আগবাঢ়িব লাগিছিল সেই ধৰণে আগবঢ়া নাই। এই বিষয়ত তৎপৰ হবলৈ মই গড়কাপ্তানী বিভাগৰ মন্ত্ৰীক অনুৰোধ জনাইছো। এই বিলাক যদি পিচ পৰি থাকে তেতিয়াহলে আজি যেনেকৈ আমি সমালোচনা কৰিছো সেই দৰে এদিন আমাকো সমালোচনা কৰিব। মোৰ সমষ্টিতে এটা মিনি ষ্টেডিয়ামৰ কাৰণে টকা দিয়া হল উপায়ুক্তক। চৰকাৰে টকা দিলে সেই টকা উপায়ুক্তৰ তাত জমা হল কিন্তু উপায়ুক্তই মিটিং আজি ১০।১২ বাৰ মান পাতি গড়কাপ্তানী বিভাগৰ কাৰ্য্যকৰী অভিযন্তা, গৃহ, নলবাৰী মিটিঙলৈ আনিব পৰা নাই। পিচত গৈ ডিৰেক্টৰ স্পৰ্টচৰ বদনাম হব। গতিকে গড়কাপ্তানী বিভাগৰ মন্ত্ৰী তৎপৰ হৈ কিছুমান বিষয়াকো তৎপৰ কৰিব লাগে, যাতে আমাৰ কিছু কাম হয়।

জলসিঞ্চনৰ ক্ষেত্ৰত মই কব খোজো যে শুৱলাত এটা জলসিঞ্চন আঁচনি লোৱা হল তেতিয়া মন্ত্ৰী আছিল শ্ৰীগোলাম ওচমানী। তেখেতেই সেই আঁচনি উদ্বোধন কৰিছিল। কিন্তু সেই সময়ত পানী নাপালে। আমাৰ চৰকাৰৰ দিনত পানী পোৱাৰ ব্যৱস্থা কৰা হৈছে। কিন্তু সকলোবোৰ ধান খেতিত পানী দিব পৰা নাই। টকাও অপব্যৱহাৰ হৈছে বুলি শুনিবলৈ পাইছো। এই আঁচনি শুৱলাৰ পৰা বাইহাটালৈকে অহাৰ কথা আছিল। কিন্তু এতিয়ালৈক এই কাম সম্পূৰ্ণ হোৱা নাই অথচ টকা সদায়েই দি থকা হৈছে। গতিকে মই মুখ্য মন্ত্ৰীৰ জৰিয়তে বিভাগীয় মন্ত্ৰীক অনুৰোধ জনাইছো যাতে যি ব্যৱস্থা লব লাগে সেই ব্যৱস্থা লৈ পথাৰত পানী দিয়াৰ ব্যৱস্থা কৰে।

ইয়াৰ ওপৰিও উদ্যোগৰ ক্ষেত্ৰত মই কব বিচাৰিছো যে উদ্যোগৰ ক্ষেত্ৰত যি নতুন নীতি লৈছে সেইটো আমি ভাল পাইছো। সেই মতেই ৩।১ খন উদ্যোগৰ লাইচেন্স দিয়া হৈছে। কিন্তু এই বিলাক উদ্যোগ গঢ়িবলৈ প্ৰচেষ্টা হাতত লোৱা দেখা পোৱা নাই। মই খোৱা পানী যোগান ব্যৱস্থাৰ কথা কৈছো। এই ক্ষেত্ৰত আমাৰ চৰকাৰে ভবাৰ কাৰণে ভাল পাইছো। এতিয়া প্ৰতিটো সমষ্টিতে ১০০ টাকৈ দম কল দিয়াৰ ব্যৱস্থা কৰিছে। যি নহওক এইটো ঘোষণা কৰিছে যেতিয়া কোনোবাই নাপালেও এদিন নিশ্চয় পাব। মই বিভাগীয় মন্ত্ৰীক খোৱা পানীৰ ব্যৱস্থা উন্নত কৰিবৰ কাৰণে অনুৰোধ জনাইছো।

মই এতিয়া শেষৰ ফালে আহিছো। বেঁচি দীঘলীয়া নকৰো। চৰ অঞ্চলৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগে। কাৰণ আজি স্থানীয় যুৱক-যুৱতী সকল চৰ অঞ্চলত খেতি কৰিবৰ কাৰণে আগবাঢ়ি গৈছে। এই দৰে আমাৰ যুৱক-যুৱতী সকলে এই বিলাক অঞ্চল দখল নকৰিলে সেই বিলাক কোনোবাই দখল কৰিব। এই ক্ষেত্ৰত মই শ্ৰীজয়নাথ শৰ্মাক ধন্যবাদ জনাও কাৰণ তেখেতেই এই প্ৰচেষ্টাৰ বাটকটীয়া বুলি কব পাৰি। তেখেতেই ডেকা গাভৰু সকলক এই কাম কৰিবলৈ উৎসাহ উদ্দিপনা যোগাইছে। এই যুৱক-যুৱতী সকলেই এই চৰ অঞ্চল বিলাকত খেতি বাতি কৰি আমাৰ দেশলৈ সমৃদ্ধি আনিব। আমি সকলোৱেই এইটো কথা জানো যে চৰ অঞ্চল বিলাকৰ বাসিন্দা হৈছে সংখ্যালঘু সম্প্ৰদায়ৰ লোক। এইটো কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে। কিন্তু তাত দেৱানী প্ৰথা চলি থকাৰ কাৰণে সংখ্যা-লঘু সম্প্ৰদায়ৰ বহুত অপকাৰ হৈছে। মই আজি বিধান সভাক অনুৰোধ কৰিছো যে এই দেৱানী প্ৰথা বিলুপ কৰিব নোৱাৰিলে আমি আমাৰ দেশক আগবঢ়াই নিব নোৱাৰিম।

মই বৰপেটালৈ যাওতে শ্ৰীওচমান ডাঙৰীয়াৰ সমষ্টিৰ চৰ অঞ্চললৈও গৈছো। এই চৰ বিলাকত যিবিলাক মাতব্বৰ আছে তেওঁলোকে মহাজনী তিৰোতা ৰাখিব পাৰে আৰু ইচ্ছা কৰিলে মানুহক শাস্তি দিব পাৰে। গতিকে এই মাতব্বৰ পদ্ধতিটো যদি উঠাই দিব নোৱাৰো তেন্তে চৰ অঞ্চলত উন্নতি লাভ কৰিব নোৱাৰে। এওঁলোক হল ক্ৰিমিনেল। চৰ অঞ্চলৰ মাতব্বৰ বিলাকৰ লিষ্ট প্ৰস্তুত কৰি অন্তত এই প্ৰথাটো বাদ দিয়াৰ কাৰণে ৰাজ্য চৰকাৰে প্ৰচেষ্টা ললে সুখ পাম। যুৱক সকলক জড়িত কৰি গাবেঁ গাবেঁ বৰজোৱাৰ ব্যৱস্থা কৰিলে মই ভাবো আমি এটা উপকাৰ পাম। ৰাজ্যপালৰ ভাষণত এই বিষয়ে উল্লেখ থাকিলে ভাল হলহেতেন।

**Shri Binai Khungur Basumatary**: Mr. Chairman,-Sir, only 20 munites arc left, When Governor's reply will start.

শ্ৰীমইদুল ইছলাম বৰা :— সংখ্যালঘু উন্নয়নবোৰ্ড যিটো গঠন কৰি দিয়া হৈছিল প্ৰধান মন্ত্ৰীৰ প্ৰগ্ৰেমত সেইটো ইয়াত উল্লেখ থকা হলে ভাল আছিল। সংখ্যালঘু উন্নয়ন বোৰ্ডৰ জৰিয়তে ৰাজ্যিক চৰকাৰে সংখ্যালঘু লোক সকলক সহায় কৰাৰ কাৰণে নানা আঁচনি হাতত লৈছে। এই আঁচনিত বৃত্তি দিয়াৰ ব্যৱস্থা কৰা হৈছে। মটৰ ড্ৰাইভিং, চিউইং মেচিন দিয়াৰ ব্যৱস্থা কৰা হৈছে। এই কথাখিনি থকা হলে ভাল আছিল। সংখ্যালঘু উন্নয়ন পৰিষদটো অলপ বহল ভিত্তিত সংগঠন কৰিলে দৰিদ্ৰ সীমা-ৰেখাৰ তলত থকা লোক সকলক আগুৱাই নিয়াত প্ৰচেষ্টা লব পাৰি। সময় কম আৰু বহুত কব লগীয়া আছিল। বিৰোধী পক্ষৰ সদস্য সকলক এটা আহ্বান জনাইছো দেশখনক আগুৱাই নিয়াৰ কাৰণে সুপৰামৰ্শ দিয়ক। পৰ্য্যটনৰ ক্ষেত্ৰত শ্ৰীওচমানি ডাঙৰীয়াই সমস্যা সমাধানৰ কাৰণে দিল্লীলৈ সৰ্বদলীয় বিধায়কৰ দল দিল্লীলৈ যোৱাৰ পৰামৰ্শ দিছে। আৰু আন সমস্যা সমাধানৰ ক্ষেত্ৰত পৰামৰ্শৰ কামনা কৰি বক্তব্যৰ সামৰণি মাৰিলো।

**Shri Debo Kumar Bara (Chairman)**: Chief Minister will give the reply on 28th March, 1988. Now, Hon'ble Member Shri Mazir Uddin Ahmed.

**শ্ৰীমজিবৰ্দ্দিন আহমেদঃ** চেয়াৰমেন মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত দাঙি ধৰা ধন্যবাদসূচক প্ৰস্তাৱৰ বিৰোধিতা কৰি মই কিছু বক্তব্য ৰাখিব বিচাৰিছো। ৰাজ্যপালৰ ভাষণত বহু কথাই কোৱা হৈছে। তাৰ ভিতৰত কোৱা হৈছে যে এই যুৱ নেতৃত্বই ভাল কাম কৰিছে। কি ভাল কাম কৰিছে, আমি হলে দেখা নাই। চৰকাৰৰ প্ৰথম কথা আছিল শান্তি, প্ৰগতি আৰু ঐক্য। এই শান্তি, প্ৰগতি, ঐক্য অটুট ৰাখিব পাৰিছে নে নাই প্ৰথমতে চাব লাগিব। আজি দেশত শান্তিৰ অভাৱ হৈছে। এই চৰকাৰৰ দিনত বহুত ৰাজনৈতিক দলৰ সৃষ্টি হৈছে। বিভিন্ন জন-গোষ্ঠীয়ে বিভিন্ন দাবী উত্থাপন কৰি আহিছে। এই বিলাক শুভ লক্ষণনেকি? যদি চৰকাৰে কিবা অৰ্থনৈতিক আঁচনি লয় তেন্তে কৃষিৰ দিশত প্ৰধান লক্ষ্য ৰাখিব লাগিব। কৃষিৰ প্ৰতি লক্ষ্য ৰাখি কৃষিজাৰি লোকসকলক মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগিব। আজি জনসংখ্যা দিনে দিনে বাঢ় গৈছে। যিবিলাক মানুহ ভূমিহীন হৈ পৰিছে, সেই বিলাকৰ সংস্থান নাই। সেই সকলক সংস্থান দিয়াৰ কাৰণে এটা ভূমি নীতি লব লাগিছিল। নদীভঙ্গ হোৱা বা জনসংখ্যা বৃদ্ধিৰ ফলত যিবিলাক মানুহ ভূমিহীন হৈ পৰিছে, তেওঁলোক ভূমিহীন হৈ অনাই বনাই ঘূৰি ফুৰিছে। এই লোক সকলক উচ্ছেদ কৰি চৰকাৰ চলিবনেকি? এই ভূমিহীন মানুহবিলাকক সংস্থানৰ কাৰণে মাটি-বাৰী দিব লাগিব। এই লোক সকলে খেতি কৰিলে নিজৰ আৰ্থিক অৱস্থা উন্নত হোৱাৰ লগতে দেশৰ অৱস্থাও উন্নত হব। ১৯৫০ চনৰ পৰা চৰবিলাক ভাঙি নতুন চৰৰ সৃষ্টি কৰিছে। পুৰণি চৰবিলাক ভাঙি যোৱাৰ ফলত তেওঁলোকৰ মাটি-বাৰী নাইকীয়া হৈছে। এই মানুহবিলাক কত আছে, তাৰ পৰিসংখ্যা নাই। কিমান মাটি ব্ৰহ্মপুত্ৰত জাহ গৈছে আৰু কিমান মানুহ নদীভঙ্গ হৈ গৃহহীন হৈছে তাৰ তালিকা প্ৰস্তুত কৰাৰ ব্যৱস্থা কৰিব লাগে। এই বিলাকৰ কোনো ব্যৱস্থা নাই। কংগ্ৰেছ চৰকাৰৰ দিনত চৰ অঞ্চলত বসবাস কৰা মানুহক মাটিৰ পট্টন দিয়া নাই। শান্তি, প্ৰগতি আৰু ঐক্যৰ হকে কাম কৰা চৰকাৰে এই মাটিবিলাক দিয়াৰ ব্যৱস্থা কৰিব লাগিছিল। আজি আঢ়ৈ বছৰে তাৰ ব্যৱস্থা নহল। এই দৰে চলি থাকিলে শান্তি, প্ৰগতি, ঐক্য নহব। অসম গণ পৰিষদ দলৰ ভিতৰত এটা ভিতৰি ভিতৰি খেলিমেলিৰ সৃষ্টি হৈছে। চাহ বাগিচাৰ মানুহে ন্যায় বিচাৰ পোৱা নাই। মাননীয় সদস্য শ্ৰীনৰেণ তাঁতিয়ে কৈছে চাহবাগানৰ জ্যেষ্ঠ আই এ এচ বিষয়া শ্ৰীচাৰোৱান থকা স্বত্বেও কণিষ্ঠ মানুহক মুখ্য সচিব কৰা হৈছে। শ্ৰীনৰহে কৈছে যে জনজাতীয় চিদুল কাষ্ট থকা ২০ জনৰ তালিকা যদি হয়, দহ জনক দিয়ে। জনজাতীয় সকল বঞ্চিত হৈ আছে। আজি আপোনালোকৰ ভিতৰতে অন্তৰ দাহ চলিছে। আজি তেওঁলোকৰ দলৰ ভিতৰতে ঐক্য নোহোৱা হৈছে। চৰকাৰে কৈছিল ১০ টকা ঘোচ খালে চাই লম। এতিয়া দহ টকা নালাগে আগৰ চৰকাৰতকৈ ওপৰত গৈছে— ইয়াৰ ইঙ্গিত মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই খবৰ কাগজৰ পৰা দাঙি ধৰা তথ্যৰ পৰা পাইছো। চৰকাৰ গাদীত বহিছে, তেওঁলোকৰ যথেষ্ট অফিচাৰ আছে, তেওঁলোকৰ দ্বাৰা বিদেশী কত আছে উলিয়াব পাৰে। কিন্তু আজি এই আঢ়ৈ বছৰে এক হাজাৰ বিদেশী উলিয়াব পৰা নাই। যদি চৰকাৰে নোৱাৰে তেন্তে কোনে কৰিব? আজি এটা দলক লগাই দি মিছা অভিযোগৰ দ্বাৰা হাৰাশাস্তি কৰিবলৈ MDT act ৰ সংশোধন বিচৰা হৈছে। বিদেশী চিনাক্তকৰণ আইন সংশোধন কৰা হওক; কিন্তু কোনো বিদেশী নোলাব। কংগ্ৰেছ চৰকাৰৰ দিনৰ পৰা নাই। কংগ্ৰেছ চৰকাৰে বোঁচিহে উলিয়াই দিছিল। ৩০ লাখৰ পৰা ৭০ লাখৰ পৰিসংখ্যা আছে। নাম বিলাক দিলে হয়। ৭০ লাখ মানুহ কলৈ গল? এইবিলাক ভুৱা কথা। এই খিনিকে কৈ মই সামৰণি মাৰিলো।

**শ্ৰীপ্ৰফুল্ল গোস্বামীঃ** মাননীয় চেয়াৰমেন মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্ম্মাই যি ধন্যবাদসূচক প্ৰস্তাৱ দাঙি ধৰিছে, সেই প্ৰস্তাৱৰ সমৰ্থন কৰি বক্তব্য ৰাখিবলৈ আগবাঢ়িছো। এটা কথা আলোচনা কালত দেখা গল যে এই ভাষণৰ কালত বিভিন্ন জনে বিশেষকৈ কংগ্ৰেছ মহলৰ পৰা হুলস্থুলীয়া পৰিৱেশ সৃষ্টি কৰা হৈছিল, এই কথা ভালে কেইজন বক্তাই দাঙি ধৰিছে। এটা কথা কব

বিচাৰিছো যে এগৰাকী ৰাজ্যপাল কেন্দ্ৰৰ সুপাৰিশত নিয়োগ হলেও তেওঁৰ কাৰ্য্যকালত বিচাৰ বিবেচনা নিৰপেক্ষ হয়। কোনোবা এজন লোক অতীতত কোনোবা দলত থাকিলেও, সকলো পাহৰি যি গৰাকী ৰাজ্যপালে প্ৰকৃত স্বৰূপ দাঙি ধৰিব পাৰে, তেওঁক প্ৰশংসা কৰাৰ যোগ্য। সেই ক্ষেত্ৰত কোনোবাই আক্ষেপ কৰে যে তেওঁ আমাৰ দলৰ লোক আছিল, আমাৰ দলৰ সপক্ষে নকৈ আজি বিৰূপ মন্তব্য দাঙি ধৰিছে বুলি যি এটা খেলি-মেলিৰ সৃষ্টি কৰিব বিচাৰিছে, তাৰ দ্বাৰা আচলতে তেওঁলোকৰ ভাৱমূৰ্ত্তিহে প্ৰকাশ পায়। দ্বিতীয়তে চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত বিভিন্ন জনে বিভিন্ন ধৰণৰ আলোচনা আগবঢ়াইছে। মই মাথোন এটা মন্তব্য দাঙি ধৰিব বিচাৰিছো। মাননীয় অভিজ্ঞ সদস্য শ্ৰীগোলাম ওচমানিয়ে এটা কথা কৈছে যে এই চুক্তিৰ বিভিন্ন দিশ ফঁহিয়াই চাই তেখেতে বুজাব বিচাৰিছে যে এই চুক্তি ৰূপায়ণ কৰাটো কেতিয়াও সম্ভৱ নহব আৰু ইয়াৰ পৰিণতি পঞ্জাৱ আৰু শ্ৰীলংকাৰ দৰে থাকি যাব। তেখেতে যি দৃষ্টান্তৰ কথা দাঙি ধৰিছে, মই প্ৰাৰ্থনা জনাইছো এই চুক্তি যাতে আখৰে আখৰে পালন কৰাত ভগৱানে সহায় কৰে আৰু তেখেতে উচ্চাৰণ কৰা ধৰণে বৰ্ত্তমানৰ পঞ্জাৱ আৰু শ্ৰীলংকাৰ দৰে অৱস্থা যাতে মৰমৰ অসম দেশলৈ কেতিয়াও নামি নাহে। তৃতীয় কথা হল, দেখা গৈছে বিভিন্ন উন্নতিকল্পে কৰা কাম-কাজৰ ক্ষেত্ৰত, চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত কেন্দ্ৰই সততে বিধিপথালি দি থাকে। আমি দেখিছো নিজৰ ওচৰত থকা মেঘালয়, ত্ৰিপুৰাত খোপনি লগাইছে। সস্তীয়া ৰাজনৈতিক ষড়যন্ত্ৰৰ দ্বাৰা কেন্দ্ৰই অসমত খোপনি লোৱাৰ প্ৰচেষ্টা চলাইছে। এই প্ৰচেষ্টাত কংগ্ৰেছ আৰু ইউ, এম, এফ দুয়ো দলে স্পষ্ট সহযোগ আগবঢ়াইছে বা তেওঁলোকৰ যথেষ্ট অৱদান আছে। শেষত এটা কথা কব বিচাৰিছো ৰাজনৈতিক ক্ষমতা কল্পনা নকৰা এমুঠি যুৱকে এই ৰাজনৈতিক ক্ষমতা দখল কৰাৰ পিচত প্ৰকৃত উদ্দেশ্য আছিল দেশ আৰু জাতিক ৰক্ষা কৰা। তেনে এটা যুৱ নেতৃত্বৰ প্ৰগতিশীল চৰকাৰক সমালোচনা কৰাৰ ক্ষেত্ৰত মই এটা কথা কব বিচাৰিছো যে ৰাজনীতিজ্ঞ হলে দূৰদৰ্শী আৰু দূৰদৃষ্টি সম্পন্ন হব লাগে। মহাত্মা গান্ধীৰ পৱিত্ৰ কংগ্ৰেছৰ মাজত থাকি ৩৮ বছৰৰ শাসন কালত কিছু লোকে কৰা ষড়যন্ত্ৰৰ ফলত আমাৰ এই মৰমৰ অসম দেশক গণতান্ত্ৰিক ভাৱে কোনোবাই গ্ৰাস কৰাৰ সপোন দেখাৰ পৰিণতিত জন্ম হৈছিল যুৱ নেতৃত্বৰ। আশা ৰাখিছো মাননীয় সদস্য সকলে নেতৃত্বক অৱজ্ঞা নকৰি তেওঁলোকৰ কাম-কাজত সহযোগ আগবঢ়াব। তেওঁলোকৰ আগৰ ষড়যন্ত্ৰৰ ফলত গাদী হেৰোৱা পথত যাতে সৰ্ব্বোচ্চ হেৰাব নালাগে এই কথা মনত ৰাখিব। এটা কথা আছে— তেওঁ বিদ্যান যি আইন জানে, তেওঁ জ্ঞানী যি নিজক জানে। বিদ্যান হোৱাতকৈ জ্ঞানী হোৱাটো বিচাৰিছো যি নিজৰ দেশক ৰক্ষা কৰিব পাৰে।

মোৰ সমষ্টিৰ বিষয়ে অলপ কব বিচাৰিছো। মোৰ সমষ্টিটোৰ দৈৰ্ঘ্য ৪৭ কিলোমিটাৰ। একো উন্নতি হোৱা নাই। এই ক্ষেত্ৰত এটা কথা কব বিচাৰিছো মই যি দিনা সদস্য হিচাপে নিৰ্ব্বাচিত হৈছিলো, তেতিয়াৰ পৰা মোৰ সমষ্টিত যদি চকু মুদি গৈ থাকো, যতে শিলগুটি ভৰিত লাগে, তেতিয়াই গম পাওঁ এইটো বৰচলা সমষ্টি।

চেয়াৰমেন ঃ এতিয়া ২৮-৩-৮৮ তাৰিখ সোমবাৰৰ পুৱা ৯·০০ বজালৈ সদন স্থগিত।

## ADJOURNMENT

The House rose at 11.30 A. M. and stood adjourned till 9 A. M. on Monday, the 28th Mrach, 1988.

Dr. P. N. HAZARIKA,
Secretary,
Assam Legsslative Assembly.

Dated Dispur :
the 25th March, 1988.